চান্দমামা

জুলাই ১৯৮৭



No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.
It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.
More than 80% of The Heritage readers are reading an issue more than once.
And over 90% are slowly building their own Heritage collection.
Isn't it time you discovered why?

THE HERITAGE

CMP-2155

So much in store, month after month.

চুপাৰফাইটাৰ!



তেওঁৰ বন্ধুগণে তেওঁক কয় "লিটিল মাষ্টাৰ" সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে চুপাৰব্যাটচমেন হিচাবে। কিন্তু সুনিল গাভাচকাৰে নিজে কয় "মই এজন চুপাৰফাইটাৰ, মই বিচাৰো মোৰ লৰাটোও যাতে তেনে হয়। সেয়েহে মই সৰুৰ পৰাই শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টৰে দাঁত মাজিবলৈ–দাঁতৰ ক্ষয় ৰোধৰ বাবে সচাকৈয়ে চুপাৰফাইটাৰ।"

দাঁতৰ ফাকত ৰৈ যোৱা খাদ্যকনাই ৰোগ-জীৱাণু জন্মাই আৰু তাত নিগৰিত এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি দাঁতৰ আলু মজবুটভাৱে সুৰক্ষিত কৰে। সেয়েহে ৰোগ বিজাণু জন্ম নহয় আৰু দাতৰো ক্ষয়ৰোগ নহয়। ফৰহান্সৰ বিশেষ এচট্ৰিনজেণ্টয়ে আলু মজবুত কৰি ৰাখে। সেয়েহে দাঁতক দিয়ে মজবুত গাঠনি আৰু দীৰ্ঘায়ু কৰি ৰাখে।

সুনিলৰ ভাষাত "মই মোৰ ল'ৰাটোক দিছো ফৰহান্স কেয়াৰ। আপুনি তাৰ বাবে কি কৰিছে?"

ফৰহান্স

GM-113/86 Ass

গৌতম গোস্বামী
৫/৭/৮৭

চান্দমামা

*

জুলাই ১৯৮৭

এই * আছে

সংখ্যাত

*

চান্দমামাৰ সম্বাদ-বি-সম্বাদ	:	৯	আমাৰ দেশৰ বিচিত্ৰ কথা	:	৩৫
মহৰ্ষি ভৃগু	:	১০	ককাৰ বিয়া	:	৩৯
পিতৃৰ মূল্যায়ন	:	১১	উত্তৰ-ৰামায়ণ	:	৪৩
গুৰিকথা	:	১৭	য়োস্কাৰ বুদ্ধি	:	৫১
জ্বালাদ্বীপ	:	১৯	উপকাৰ-প্ৰত্যুপকাৰ	:	৫৫
লোকপ্ৰিয় চোৰ	:	২৭	শুভদিনৰ সাধু	:	৬০
নিমাতী কইনা	:	৩৩	প্ৰকৃতিৰ বিস্ময়	:	৬৩

*

খনে : ২'৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি : ৩০'০০ টকা মাথোন

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS
P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক। দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।



আপোন কৰি লওক ক'লগেটৰ সুৰক্ষা চক্ৰ!

ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে
আপোনাৰ পৰিয়ালক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস-প্ৰশ্বাস।
সেইটোৱেই হ'ল ক'লগেটৰ সুৰক্ষা চক্ৰ।

প্ৰতিবাৰেই আপুনি দাঁত ঘঁহোতে ক'লগেটৰ নিৰ্ভৰযোগ্য ফৰমূলাই এনেদৰে ক্ৰিয়া কৰে:

নিশ্বাসৰ দুৰ্গন্ধ আৰু দাঁতৰ ক্ষয়ৰোগ সৃষ্টি হয় দাঁতৰ ফাকত লাগি থকা খাদ্যৰ টুকুৰাবোৰৰ পৰা।

ক'লগেটৰ অদ্বিতীয় সক্ৰিয় ফেনবোৰ দাঁতৰ ফাকবোৰলৈকে সোমাই গৈ এই দুৰ্গন্ধ সৃষ্টিকাৰী খাদ্যৰ টুকুৰাবোৰ আঁতৰাই আৰু ক্ষয় ৰোগৰ সৃষ্টিকাৰী বীজাণু দূৰ কৰে।

ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে আপোনাক দিয়ে সুস্থ সবল দাঁত,
নিৰ্মল শ্বাস প্ৰশ্বাস।

আপোনাৰ পৰিয়ালৰ সকলোৱেই যাতে প্ৰতিবাৰেই খোৱাৰ পিছত ক'লগেটেৰে দাঁত ঘঁহে সেইবিষয়ে নিশ্চিন্ত হওক।
নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক,
দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।
আপোন কৰি লওক
ক'লগেটৰ সুৰক্ষা চক্ৰ।

84-55 Asm

আপুনি মুগ্ধ হব এই মিন্টি সোৱাদত!

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

বিশেষ কথা (১)ঃ 'চান্দমামা'ৰ গ্ৰাহক হ'বলৈ হ'লে বছৰেকীয়া বৰঙণিৰ টকা চান্দমামাৰ মাদ্ৰাজস্থিত ঠিকনালৈ পঠাব লাগিব ; ফটো নামকৰণ-প্ৰতিযোগিতাৰ ঠিকনালৈ কোনো ধৰণৰ টকা-পইচা নপঠাব। বছৰৰ যিকোনো মাহৰেপৰাই চান্দমামাৰ গ্ৰাহক হ'ব পাৰি। (২) চান্দমামাৰ ফটো-নামকৰণ প্ৰতিযোগিতালৈ যোগদান কৰাত বয়সৰ বাধা-নিষেধ নাই ; কিন্তু প্ৰতিযোগীয়ে বয়সৰ উল্লেখ কৰিব লাগিব। প্ৰতিযোগীৰ ঠিকনা সম্পূৰ্ণকৈ আৰু সুস্পষ্টকৈ অসমীয়া বা ইংৰাজীত লিখি পঠাব লাগিব।

অমৰ-বাণী

যঃস মুংপতিতম্ ক্ৰোধম্ ক্ষময়ৈব নিৰস্যতি ।
যথোৰগ স্ত্ব চং জীৰ্ণম্ বৈপুৰুষ উচ্চতে ॥

[সাপে যেনেকৈ অতি কষ্ট কৰি হ'লেও মোট সলায়, তেনেকৈ, আত্ম-নিগ্ৰহ সহিও মানুহে ক্ৰোধ পৰিত্যাগ কৰা উচিত।

বছৰ: ১২ জুলাই ১৯৮৭ সংখ্যা: ৪

খনে: ২.৫০ টকা : : বছৰেকীয়া বৰঙণি : ৩০.০০ টকা

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

আকাশী ৰেল

বম্বেৰ জাতীয় আৰু আন্তৰ্জাতিক বিমানকোঁঠৰ মাজত ২০০ আসনযুক্ত এখন অভিনৱ ৰেলগাড়ি অবিলম্বে চলোৱা হ'ব। চৌম্বকশক্তিৰে ৰেললাইন নোহোৱাকৈয়েই এই গাড়ি চলিব। ই মাটিৰপৰা অলপ ওপৰেদি চলি থাকিব।

মৎস্য ভয়ংকৰী

স্কটলেণ্ডৰ লোচ্চ্ নে'ছ মেন্সটাৰ (ভয়ংকৰী)ৰ দৰেই চীন-দেশতো আলতাই পৰ্বতত অশ্ব ধৰি পেলাব পৰা এক ভয়ংকৰীৰ সন্ধান পোৱা হৈছে। এই ভয়ংকৰী হ'ল এক বিৰাট আকাৰৰ ছ'ল্মন মাছ। বিজ্ঞানীবৰ্গ'ই এই ভয়ংকৰীক মাছ বুলি অভিহিত কৰিছে।

কথাৰ আখৈ

ভাৰতৰ কড্লুক নামৰ ঠাইত জয়ৰামন নামৰ ৫৭ বছৰীয়া মানুহ এগৰাকীয়ে একেৰাহে ১৬৫ ঘণ্টা জোৰা কথাৰ আখৈ ফুটাই কথা চোবোৱাত বিশ্বৰেকৰ্ডৰ অধিকাৰী হৈছে।

শতিকীয়া......

জাপানদেশত ১০০ বছৰ পাৰ হোৱা মানুহৰ সংখ্যা ১,৮৫১ জন। এই বছৰ এই সংখ্যা ২০০০ হ'বগৈ। এওঁলোকৰ মাজত সবাতোকৈ বয়সস্থাগৰাকী ১৮৭৬ খ্রিষ্টাব্দত ওপজিছিল!

মহৰ্ষি ভৃগু

এবাৰ ঋষিগণৰ মাজত এটা প্ৰশ্ন উঠিল ঃ ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ মাজত কোনজনা অধিক সদ-গুণসম্পন্ন। তেওঁলোকে এই প্ৰশ্নৰ মীমাংসা কৰিব নোৱাৰি ব্ৰহ্মাৰ মানসপুত্ৰ ভৃগুৰ কাষ চাপিল। মহৰ্ষি ভৃগুৱে ক'লে, "মই কেতিয়াও এওঁলোকৰ তুলনামূলক বিচাৰ কৰি চোৱা নাই। পিছে—আপোনালোকে সুধিছেই যেতিয়া, এই কথাৰ বুজ ল'বলৈ চেষ্টা কৰিম। অনুগ্ৰহ কৰি. আপোনালোকে পাছত মোক লগ ধৰিব।"

ভৃগু প্ৰথমতে ব্ৰহ্মালোকলৈ গ'ল। ব্ৰহ্মাই তেতিয়া সৰস্বতীৰ বীণা-বাদন শুনি আছিল। তেওঁ ভৃগুলৈ ঘূৰিও নোচোৱা হ'ল। ক্ৰুদ্ধ ভৃগুৱে ব্ৰহ্মালৈ অভিশাপ দিলে আৰু তৎক্ষণাৎ কৈলাসলৈ বুলি গুচি গ'ল। তাতো শিৱ তেতিয়া নৃত্যৰতা পাৰ্বতীলৈ চাই মোহ মুগ্ধ হৈ আছিল। শিৱ বা পাৰ্বতীয়েও ভৃগুলৈ দৃষ্টিপাত নকৰিলে। তেতিয়া শিৱকো অভিসম্পাত দি ভৃগু বৈকুণ্ঠলৈ গ'ল।

বৈকুণ্ঠত বিষ্ণু তেতিয়া যোগনিদ্ৰাত মগ্ন আছিল। তেওঁ ভৃগুলৈ মুঠেই মন নকৰিলে। ভৃগু ক্ৰোধত উন্মত্ত হৈ বিষ্ণুৰ বক্ষত পদাঘাত কৰিলে। তেতিয়া বিষ্ণুৱে ভৃগুক ক'লে, "তোমাৰ ইমান কোমল ভৰিৰে মোৰ কঠিন বুকুত আঘাত কৰাত তুমি ভৰিত দুখ পোৱা নাইনে?" এই বুলি কৈ, বিষ্ণুৱে ভৃগুমুনিৰ ভৰি হাতেৰে ছুই চালে।

নিজৰ ভুল বুজিব পাৰি ভৃগুৱে বিষ্ণুৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে।

তেতিয়া বিষ্ণুৱে মিচিকীয়াই হাঁহি মাৰি ক'লে, "তোমাৰ চৰণ-চিহ্ন মোৰ বুকুত সৰ্বতিকাললৈ বিৰাজিত হৈ থাকিব। এয়ে হ'ব ভক্তৰ অবিস্মৰণীয় চিহ্ন।"

তাৰ পাছত ভৃগুৱে ঋষিগণক ক'লেগৈ, "মোৰ মতে—ব্ৰহ্মা, বিষ্ণু, আৰু মহেশ্বৰৰ মাজত বিষ্ণুৱেই সবাতোকৈ সদ্‌গুণ-সম্পন্ন। ভক্তসকলৰ প্ৰাণত তেওঁ কল্পবৃক্ষস্বৰূপ!"

পিতৃৰ মূল্যায়ন

উমাশংকৰৰ নামৰ এগৰাকী বিখ্যাত সাহিত্যিক আছিল। সাহিত্য সৃষ্টিৰ যোগেদি ধন উপাৰ্জন কৰাটো তেওঁৰ উদ্দেশ্য নাছিল। উপৰি পুৰুষসকলে এৰি থৈ যোৱা সামান্য সঞ্চয়েৰেই সংসাৰখন কথমপি চলিছিল।

উমাশংকৰৰ আছিল চাৰিটা ল'ৰা-ছোৱালী আৰু পৰিবাৰ। তেওঁৰ প্ৰাচুৰ্য্যো নাছিল, নাটনিও নাছিল।

কালক্ৰমে উমাশংকৰৰ ডাঙৰ ল'ৰাজন ন্যায়শাস্ত্ৰত যথেষ্ট ব্যুৎপত্তি অৰ্জা হ'ল, ৰমা আৰু লখিমী নামৰ ছোৱালী দুজনীক গাঁৱৰে দুজন বেপাৰীৰ লগত দিলে তেওঁ। কিন্তু নুমলীয়া গোপীনাথ ডাঙৰৰ দৰে নহ'ল। সাধাৰণ জ্ঞানৰ ফালৰপৰা চোকা হোৱা সত্বেও গোপীনাথে কোনো এটা বিষয়ো ভালকৈ নাজানিছিল।

এবাৰ—ৰাজসভাত এটা বিষয় লৈ মতভেদৰ সৃষ্টি হ'ল। বিষয়টো আছিল—দুজনী নৰ্তকীৰ মাজত শ্ৰেষ্ঠ কোন। বিভিন্নজনে বিভিন্ন মন্তব্য কৰিলে; কিন্তু ৰজাৰ মনঃপূত নহ'ল। তাৰ পাছত, দৰ্শকসকলৰ মাজৰপৰা গোপীনাথে কৈ উঠিল, "কেৱল নৰ্তকী বা নৃত্যৰ বিচাৰ কৰিলেই নহ'ব, লগতে নাট্যকলাৰ পৰ্য্যালোচনাও কৰিব লাগিব, মহাৰাজ!"

গোপীনাথৰ এই প্ৰস্তাৱত ৰজাই ভাল পালে। ৰজাই গোপীনাথৰ এই প্ৰস্তাৱৰ ভিত্তিত নৰ্তকী দুজনীৰ শ্ৰেষ্ঠত্বৰ বিচাৰ কৰাৰ আদেশ প্ৰদান কৰি গোপীনাথক তেওঁৰ পৰামৰ্শদাতাৰ পদত নিযুক্ত কৰিলে।

কিছুকালৰ অন্তত এগৰাকী নিৰপেক্ষ

তপন তালুকদাৰ

তথা সুবিচাৰক হিচাপে গোপীনাথৰ নাম দেশৰ সীমা চেৰাই গ'ল।

*

এবাৰ এখন হাটলৈ গৈ গোপীনাথে দুজন বেঙেনা বেচোঁতাৰ মাজত এজনে বেছি দামত আৰু আনজনে কম দামত বেঙেনা বেচি থকালৈ লক্ষ্য কৰিলে। গোপীনাথৰ বন্ধু এজনে গোপীনাথক সুধিলে, "গোপী, এই দুজনৰ মাজত তুমি কাৰ শলাগ ল'বা?"

লগে লগে গোপীনাথে ক'লে, "কম দামত বেচোঁতাজনৰহে শলাগ ল'ম মই।"

বন্ধুজনে ক'লে, "কিন্তু কম দামত বেচোঁতজনৰ বেঙেনাবিলাকৰ বেছিভাগেই পোকে খোৱা। তথাপি তুমি তাৰ শলাগ ল'বানে? কথাতে কয়—সস্তাৰ তিনি অৱস্থা। মই কিন্তু সদায় বেছি দামৰ বয়-বস্তু লওঁ। চোৱাঁ—বেছি দামত বেচোঁতাজনৰ বেঙেনাবিলাকৰ প্ৰতি-টোৱেই ভাল। এটাও বেয়া নাই।"

"তোমাৰ কথা ময়ো মানি লৈছোঁ। বেঙেনা বেচি লাভ কৰাটো দুয়োজনৰে উদ্দেশ্য; কিন্তু লাভ কৰাৰ পদ্ধতি দুজনৰ দুবিধ। ৰাইজে গুণতকৈ দামৰ কথাহে অধিককৈ ভাবে। দাম কম য'তে, ৰাইজ পৰে ত'তে। আৰু — সস্তাত বেচি বেচোঁতাই ভাল কামকে কৰিছে।"

বন্ধুজনে এইবোৰ কথা তেওঁৰ বন্ধু-বান্ধৱহঁতক ক'লে। তেওঁৰ মতে—গোপী-নাথৰ নিচিনা নিৰপেক্ষ বিচাৰক বিচাৰি পোৱা বাস্তৱিকতে টান।

এদিন উমাশংকৰৰ ঘৰত তেওঁৰ জীয়েক-জোঁৱায়েক দুজনো আহিল। সিহঁতৰ পূজাৰ বন্ধত কেইদিনমান থাকিব হেনো।

গোপীনাথক তাৰ বায়েক ৰমাই ক'লে, "গোপী, তই দেশৰ ৰাইজৰ আৰু ৰজাৰো সকলো সমস্যাৰ সমাধান কৰিছ, কত কি কৈছ। আজি আমাৰ পৰিয়ালৰ সকলোটিৰ বিষয়ে ক'ব লাগিব।"

"তইঁ:ত শুনিবি যদি—মই নোকোৱাৰ হেতু নাই, ক'ম।" গোপীয়ে ক'লে।

তাৰ পাছত—প্ৰথমেই গোপীনাথে তাৰ ভিনিহীয়েক দুজনৰ সম্পৰ্কে মন্তব্য কৰি ক'লে, "তেওঁলোকৰ আচাৰ-আচৰণ অতি ৰুচিশীল তথা মাৰ্জিত।"

তাৰ পাছত গোপীনাথে তাৰ নিজৰ ককায়েকৰ সম্পৰ্কে ক'লে, "ন্যায়শাস্ত্ৰত ককাইদেউৰ জ্ঞান অপৰিসীম। দূৰ-দূৰণিৰ-পৰাও এই বিষয়ে জ্ঞান লাভ কৰিবলৈ তথা জানিবলৈ অসংখ্য মানুহ তাৰ কাষ চাপে। কিন্তু ন্যায়ৰ বিচাৰ বৰ টান কাম। ন্যায়-বিচাৰক কেতিয়াও শত্ৰুবিহীন নহয়। পৰাজিত পক্ষ সদায় শত্ৰু হৈ পৰে। তথাপি প্ৰকৃত ন্যায়শাস্ত্ৰাধিকাৰী-সকল প্ৰকৃততেই উন্নত চৰিত্ৰৰ ব্যক্তি।"

তাৰ পাছত গোপীনাথ কৈ থাকিল তাৰ লখিমীবাইদেৰেকৰ কথা। গোপী-নাথে ক'লে "লখিমী বাইদেউ হ'ল নামতো লখিমী, কামতো। তাইৰ গুণৰ সীমা-পৰিসীমা নাই।"

তেতিয়া ৰমাই ক'লে, "এইবাৰ মোৰ কথা কোৱাচোন শুনো?"

গোপীনাথে মিচিক কৰে হাঁহি মাৰি ক'লে, "তোমাৰ নিচিনা ছোৱালী এজনীয়ে কোনোদিনে গান শিকিব পাৰিব বুলি মই ধাৰণা—আনকি কল্পনাও কৰিব পৰা নাছিলোঁ।"

এই কথা শুনি তাত থকা আটাই-কেউজনেই একেলগে হাঁহি উঠিল।

হেমন্তকুমাৰৰ ওচৰত গান-বাদ্য শিকা প্ৰতিজনেই খ্যাতি আৰ্জিছিল। আনৰ কথা শুনিহে ৰমায়ো হেমন্তকুমাৰৰ কাষ চাপিছিল শিকিবলৈ; কিন্তু বহু দিনৰ চেষ্টাতো তাই প্ৰকৃতপক্ষে গায়িকা হ'ব নোৱাৰিলে।

ৰমাৰ সম্পৰ্কে এইবোৰ কথা কোৱাৰ অন্তত গোপীনাথে মন্তব্য কৰিলে, "এই-বাৰ মই মাৰ সম্পৰ্কে কিছু কথা ক'ম। চাৰিজন সন্তানক তুলি-তালি ডাঙৰ-দীঘল কৰাটো মাৰ পক্ষে কম কৃতিত্বৰ বিষয় নহয়। আয়-উপাৰ্জন কৰাত দেউতাৰ কোনোদিনেই সিমান মন-কাণ নাছিল। দেউতাই যিখিনি উপাৰ্জন কৰিছিল, সেইখিনিৰে মা-ই সংসাৰখন চলাইছিল। চলাইছিল মানে—সামান্য উপাৰ্জনৰ ধনেৰে অসামান্যভাৱে চলাইছিল। আৰু—"

গোপীনাথৰ কথা নৌশেষ হওঁতেই মাকে কৈ উঠিল, "বোলোঁ ঐ—মোৰ কথা বাদ দে, এতিয়া তই বাৰু তোৰ দেউতাৰৰ কথা অলপ ক'চোন শুনো?"

ইমানপৰ ধৰি উমাশংকৰে সকলো কথা শুনি আছিল; কিন্তু বিশেষ একো কৌতূহল বোধ নকৰিছিল। এইবাৰ তেওঁ

"কিন্তু—মই গান-বাজনা একেবাৰেই শিকিব পৰা নাই।" ৰমাই কৃত্ৰিম খঙেৰে চকু ঘোপা কৰি গোপীনাথক ক'লে, "এনেবোৰ কথা কৈ তুমি মোক হাঁহিয়তৰ পাত্ৰী কৰি নুতুলিবা। মই কোনোদিনে ভালকৈ এটা গানো শিকা নাই।"

এই কথাৰ উত্তৰত গোপীনাথে ক'লে, "চোৱাঁ, তোমাৰ সংগীতশিক্ষক হেমন্ত-কুমাৰৰ সকলো শিষ্য-শিষ্যায়েই গান-বাদ্যত যথেষ্ট পাৰদৰ্শী। তুমি যে ইমান ডাঙৰ গায়ক এজনৰপৰা গান শিকিছা, মানুহৰ আগত গাব পাৰিছা—এয়া কম সৌভাগ্যৰ কথা নহয়।"

নিজৰ কথা শুনিবলৈ লৰি-চৰি বহিল।

দেশৰ ৰজাই গোপীনাথৰ সম্পৰ্কে যত প্ৰশংসামূলক মন্তব্য কৰিছিল, সেই কথা কিবা-নহয়-কিবা প্ৰসংগত সকলোটিয়েই কেতিয়াবা কেতিয়াবা আলোচনা কৰিছিল। হঠাৎ গোপীনাথে কৈ উঠিল, "এই পৰিবেশত আন কাৰো সম্পৰ্কে মই একো মন্তব্য নকৰোঁ।" আৰু লগে লগে গোপীনাথৰ দেউতাক উমাশংকৰো তাৰপৰা ওলাই গ'ল। পৰিবাৰ পাৰ্বতীয়ে বুজি পালে যে গিৰিয়েকৰ মনত কিবা-নহয়-কিবা কাৰণত অসন্তোষৰ সৃষ্টি হৈছে। পাৰ্বতীয়ে খৰধৰকৈ গৈ গিৰিয়েকক সুধিলেগৈ, "হঠাৎ—তেনেকৈ' ওলাই আহিলা যে তুমি বাৰু—?"

এই কথাৰ উত্তৰত উমাশংকৰে ক্ষুব্ধ কণ্ঠেৰে ক'লে, "চোৱাঁ, মই যে সকলো ফালৰেপৰাই অযোগ্য—এতিয়া ভালকৈ বুজি পালোঁ। ল'ৰা-ছোৱালীহঁতক ডাঙৰ-দীঘল কৰাটো তোমাৰহে কৃতিত্ব, মোৰ অৱদান একোৱেই নাই। আৰু এতিয়া মই সম্পূৰ্ণ অকৰ্মণ্য। এতিয়া মোক কিবা এটা লাগিলেও ল'ৰাহঁতৰ মুখাপেক্ষী হ'ব লাগিব। মই যে জীৱনত কিমান ব্যৰ্থ, সেই কথা হাড়ে-হিমজুৰে বুজি পাইছোঁ।'

গোপীনাথৰ কথাত উমাশংকৰে মনত আঘাত পোৱাৰ কথা বুজি পাই পাৰ্বতীয়ে তেওঁক ক'লে, "গোপীয়ে ধেমালিতেহে

তেনেকৈ কৈছিল। তুমিও যে—! ঘপ্‌কৈ উঠি আহিলা কিয়? যি কি নহওক—ব'লা—তাত বহিবা ব'লা।"

পাৰ্বতীয়ে পুনৰ উমাশংকৰক লৈ গ'ল তালৈ। কিন্তু উমাশংকৰে গোপীনাথে কথা পাতি থকা কোঠাটোৰ বাহিৰত থিয় হৈ তাৰ কথাবোৰ শুনি থাকিল, ভিতৰলৈ নোসোমাল। তেতিয়া গোপীনাথে তাৰ দেউতাকৰ সম্পৰ্কে কৈ আছিল তাৰ ককায়েকক, "চোৱাঁ, ককাইদেউ, তোমাৰ কাম-বনৰ বিষয়ে মোৰ এটা থূলমূল ধাৰণা আছে, আৰু আছে বাবেহে মই বাস্তৱভিত্তিক মূল্যায়ন কৰিব পাৰোঁ। কিন্তু দেউতাৰ সম্পৰ্কে মন্তব্য কৰাটো মোৰ পক্ষে বৰ টান। তেওঁ সাহিত্যসেৱা কৰি কিয় যে কেৱল খ্যাতি অৰ্জালৈ মন দিছিল, ধন অৰ্জালৈ বিমুখ হৈছিল, ক'ব নোৱাৰোঁ। এই প্ৰসংগতে কওঁ—তেওঁৰ কিতাপ পঢ়ি মই প্ৰায় একো নুবুজোঁ। দেউতাই বহু কষ্ট সহিও আনৰ উপকাৰ কৰিছিল। নিজে ইমান কষ্ট সহ্য কৰিও কিয় যে আনৰ উপকাৰ কৰিছিল—এয়া মোৰ বাবে নুবুজা সাঁথৰ। তেওঁৰ জীৱনৰ মূল কাৰণ দুটা যেতিয়া নুবুজা হৈয়েই থাকিলোঁ, তেওঁৰ সম্পৰ্কেনো কেনেকৈ কি কওঁ?"

কোঠাৰ বাহিৰত থিয় হৈ থকা উমাশংকৰ ধুমুহাৰ দৰে কোঠাৰ ভিতৰলৈ সোমাই আহিল আৰু গোপীনাথক বুকুত আঁকোৱালি লৈ ক'লে, "বোপা গোপীনাথ, মোৰ জীৱনৰ একমাত্ৰ কৃতিত্ব— যদিহে কিবা আছে—সেয়া হ'ল তোমাৰ নিচিনা পুত্ৰৰ পিতৃ হোৱাটোহে। তোমাৰ নিচিনা পুত্ৰৰ পিতৃ হৈ মই ধন্য মানিছোঁ।"

গোপীনাথে তাৰ পিতৃদেৱক প্ৰণাম কৰি ক'লে, "দেউতা, জগতৰ কোনো সন্তানেই তাৰ পিতৃৰ প্ৰকৃত মূল্যায়ন কৰিব নোৱাৰে। এই মূল্যায়ন অসম্ভৱ।"

গুৰিকথা

দেশৰ নাম বৰ্ধনগিৰি, ৰজাৰ নাম জনাৰ্দন. আৰু ৰজাৰ জী আইদেউৰ নাম মনোৰম। হিমপুৰী দেশৰ যুৱৰাজ জয়বৰ্ধনৰ সৈতে ৰাজকুঁৱৰী মনোৰমৰ বিয়াৰ কথাটো খাটাং হৈ গ'ল। ৰাজপুৰোহিতে পাঁজি-পুঁথি দেখি দিন-খেণো খাটাং কৰিলে।

ৰজা জনাৰ্দনে এধাৰ ধুনীয়া হাৰ গঢ়াই আনিলে; কিন্তু এই হাৰডালত হীৰা এটুকুৰা তেওঁ একোপধ্যে খতোৱাব নোৱাৰিলে, কিয়নো তেওঁ তেওঁৰ মনেখোৱা হীৰা এটুকুৰা নোপোৱা হ'ল। আনকি ধুনীয়াৰো ধুনীয়া মুকুতা এটাও বিচাৰি নাপালে তেওঁ।

কত যে মণি-মুকুতা-হীৰাৰ বেপাৰী-জহৰী আহিল, কিমান যে দেখুৱালে; কিন্তু ৰজা জনাৰ্দনৰ পছন্দ নহ'ল যে নহ'লেই। তাৰপাছত—কাঞ্চনপুৰ, চন্দনপুৰ আৰু বৰুণ-পুৰৰপৰা চন্দ্ৰচূড় আৰু যথাক্ৰমে ধনগুপ্ত, নাগদত্ত নামৰ তিনিগৰাকী বেপাৰী আহিল ৰাজকুঁৱৰী মনোৰমক হীৰা-মুকুতা দেখুৱাবলৈ।

ধনগুপ্তই তেওঁৰ আটাইবোৰ হীৰা আৰু মুক্তা ৰাজকুঁৱৰী মনোৰমক দেখুৱালে। মনোৰমে ক'লে, "আপুনি লৈ অহা হীৰা-মুকুতাবোৰ দেখাত বেয়া নহয়, ভালেই; কিন্তু মই যেনেকুৱাটো বিচাৰিছোঁ, তেনেকুৱা নহয়। গতিকে—আপোনাক বিমুখ কৰিবলৈ বাধ্য হ'লোঁ। বেয়া নাপাব।"

তেতিয়া ধনগুপ্তই আন এডোখৰ হীৰা উলিয়াই আনি ক'লে, "এই হীৰাৰ তুলনা নাই, আপুনি নিশ্চয় ভাল পাব আৰু আপোনাক ইমান যে গুৱাব।"

মালতী মহন্ত

ৰাজকুঁৱৰী মনোৰমে বিৰক্তি প্ৰকাশ কৰি ক'লে, "মোক কিহে- শুৱাব, সেই কথাৰ বিচাৰ মইহে কৰিম। আপুনি এতিয়া যাব পাৰে।"

তাৰ পাছত চন্দ্ৰচূড়ে সুদৃশ্য পাত্ৰ এটাত তেওঁ লৈ অহা হীৰা-মণি-মুকুতাবোৰ থৈ ক'লে, "এইবোৰৰ যিকোনো এটা আপোনাৰ হাৰত লগালে বৰ ভাল হ'ব।"

"কোনটো ভাল হ'ব আৰু কোনটো ভাল নহ'ব——সেয়া মোৰহে বিচাৰ্য্য, আপোনাৰ নহয়।" এই বুলি কৈ ৰাজকুঁৱৰী তাৰপৰা ওলাই গুচি গ'ল।

আৰু সদৌ শেষত আছিল জহৰী নাগদত্ত। নাগদত্তই ৰাজকুঁৱৰীক ক'লে, "ৰাজকুঁৱৰী, এয়া লওক মোৰ অৰ্ঘ্য। আপুনি যদি ভাল পায়, এটা বাছি ল'ব। নল'লেও মই বেয়া নাপাওঁ। লওঁতাই ভাল নাপালে মণি হওক মুকুতা হওক, বা হীৰা—সকলো মূল্যহীন।"

বহু পৰলৈকে সেইবোৰ পৰীক্ষা কৰাৰ অন্তত ৰাজকুঁৱৰীয়ে নাগদত্তৰপৰা হীৰা এটুকুৰা ল'লে আৰু মূল্যৰ উপৰিও নাগদত্তক প্ৰচুৰ উপহাৰ দিলে।

অন্তেষপুৰৰপৰা ওলাই অহাৰ লগে লগে ধনগুপ্ত আৰু চন্দ্ৰচূড়ে নাগদত্তক ৰাজকুঁৱৰীৰ বিষয়ে সোধাত নাগদত্তই ক'লে, "চোৱাঁ, তোমালোকে ৰাজকুঁৱৰীক অসংখ্য মূল্যৱান হীৰা-মুকুতা দেখুৱালা, আৰু তাৰ ফলত তেওঁ বিভ্ৰান্ত হৈ পৰিল, বাছি উলিয়াব নোৱৰা হ'ল।"

"তুমিনো তেন্তে কি কৰিলা? তোমাৰ সাফল্যৰ গুৰিকথানো কি?" ধনগুপ্ত আৰু চন্দ্ৰচূড়ে আগ্ৰহৰে সুধিলে।

"মই কেইটামান অতি সাধাৰণ শ্ৰেণীৰ হীৰা-মুকুতাৰ মাজত মাত্ৰ এডোখৰ অতি মূল্যৱান হীৰা থৈ দিছিলোঁ আৰু তাৰ ফলত ৰাজকুঁৱৰীয়ে অতি সহজেই ভালটো বাছি ল'ব পাৰিলে। কথা ইমানেই।"



১৩

ৰজা চিত্ৰসেনে অতি দক্ষতাৰে দেশ শাসন কৰি আছিল। দেশত শান্তি-শৃংখলা ঘূৰাই আনিব পাৰিছিল তেওঁ। মহাদুষ্ট নাগবৰ্মা বা জ্বালাদ্বীপিয়াইতৰ নেতা সেই কৰবীৰৰো কোনো ভু-ভা পোৱা নগৈছিল। দেশখনৰ সকলো ফালে তেতিয়া শান্তিৰ বা বলি আছিল। এনেতে ৰাণী কান্তিমতীৰ তথা চিত্ৰসেনৰ পাঁচবছৰীয়া ল'ৰাটোক লৈ যাবলৈ ৰাক্ষসৰাজ উগ্ৰাক্ষ চিত্ৰসেনৰ ওচৰলৈ আহিল আৰু চিত্ৰসেনেও বিনা প্ৰতিবাদে পাঁচবছৰীয়া ল'ৰাটোক উগ্ৰাক্ষৰ হাতত গটাই দিলে। ল'ৰাটোক লৈ উগ্ৰাক্ষ উভতি গ'ল। কিন্তু অনতিপলমেই সি বুজি পালে যে এই ল'ৰাটো আচল ৰাজকোঁৱৰ নহয়।

তাৰ পাছত……

ল'ৰাটোৰে সৈতে উগ্ৰাক্ষক ঢপলিয়াই অহা দেখি অমৰপালে চিত্ৰসেনক ক'লে, "মহাৰাজ! সেই ৰাক্ষস উগ্ৰাক্ষ দেখোন পুনৰ উভতি আহিব ধৰিছে!"

অমৰপালৰ কথা শুনি চিত্ৰসেনে অবাক মানিলে, আৰু ৰাণী কান্তিমতীৰো মুখখন শেঁতা পৰিল।

চিত্ৰসেনে ক'লে, "ল'ৰাটো যে মোৰ নহয়—উগ্ৰাক্ষই নিশ্চয় গম পালে।"

"মহাৰাজ!" অমৰপালে কৈ উঠিল,



“উগ্ৰাক্ষক আক্ৰমণ কৰিলে কেনে দেখে?”

“কথাটো—বৰ ভাল নহ'ব। আৰু মই যে মোৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰা নাই—সেই কথাটোও প্ৰজাবৰ্গই জানিব।”

হঠাৎ ৰাণী কান্তিমতীয়ে ক'লে, “মহাৰাজ, উগ্ৰাক্ষৰ বিষয়টো মোৰ ওপৰত এৰি দিয়ক।” এই বুলি কৈয়েই ৰাণী কান্তিমতী অন্তঃপুৰলৈ সোমাই গ'ল।

ইতিমধ্যে উগ্ৰাক্ষই ৰাজপ্ৰাসাদ পাইছিলহি। ‘মহাৰাজ, মহাৰাজ’ বুলি উচ্চ চিঞৰ শুনি ৰজা চিত্ৰসেন আৰু অমৰপাল ৰাজপ্ৰাসাদৰপৰা ওলাই আহিল।

অমৰপালে উগ্ৰাক্ষক সুধিলে, “কি হ'ল উগ্ৰাক্ষ? চিঞৰিছা কিয়?”

অমৰপালৰ প্ৰশ্নলৈ কেৰেপো নকৰি উগ্ৰাক্ষই কৰ্কশ কণ্ঠেৰে চিত্ৰসেনক ক'লে, “মহাৰাজ! আপুনি যে কেতিয়াবা মোক এইদৰে প্ৰতাৰণা কৰিব—এয়া আছিল চিন্তাৰো অযোগ্য কথা!”

চিত্ৰসেনে একো ক'বলৈ নৌপাওঁতেই অমৰপালে ততাতৈয়াকৈ কৈ উঠিল, “উগ্ৰাক্ষ, তোমাক কোনেও প্ৰতাৰণা কৰা নাই, লিগিৰী এজনীয়েহে ভুল কৰিলে। এই কাম ইচ্ছাকৃত নহয় লিগিৰী এজনীয়ে ৰাজপুত্ৰৰ সলনি মন্ত্ৰীপুত্ৰক দিছিল—কথা ইমানেই।”

“ই মন্ত্ৰীপুত্ৰ নিশ্চয় নহয়, হ'বই নোৱাৰে।” ল'ৰাটিক উগ্ৰাক্ষই ওপৰলৈ দাঙি ধৰি বিদ্ৰূপৰ বিষ ঢালি ক'লে, “হেঁঃ — ই কোনো ৰাজপুত্ৰো নহয়, বা ই মন্ত্ৰীপুত্ৰো নহয়। ই কোন—মই জানো। ই হ'ল ৰান্ধনিপুত্ৰ। মোক কোনো ৰান্ধনিপুত্ৰ নালাগে—মোক লাগে চিত্ৰসেনৰ প্ৰথম পুত্ৰটিক। তাৰ পৰিবৰ্তে সমগ্ৰ ৰাজ্য দিব খুজিলেও মই নলওঁ।”

ৰজা চিত্ৰসেনে ক'লে, “উগ্ৰাক্ষ, তুমি উত্তেজিত নহ'বা। অলপ ৰ'বা, তুমি যাক বিচাৰিছা—তাকেই পাবা।”

আৰু চাওঁতে চাওঁতে লিগিৰীহঁতে

আটকধুনীয়া সাজ-পাৰ পিন্ধা পাঁচ বছৰীয়া ল'ৰা এটিক তালৈ লৈ আহিল। উগ্ৰাক্ষই এবাৰ ল'ৰাটিলৈ আৰু এবাৰ লিগিৰীহঁতলৈ চাই লিগিৰীহঁতক সুধিলে, "এইবাৰো যোৱাবাৰৰ দৰে কোনাবা কোতোৱাল-পুত্ৰ বা চাকৰপুত্ৰ লৈ অহা নাই তো ?"

লিগিৰীহঁতৰ মাজত এজনীয়ে ক'লে, "ল'ৰাটিৰ লগত কথা পাতিলেই সকলো সন্দেহ গুচিব।"

লিগিৰীহঁতে ল'ৰাটোক লৈ অহাৰ লগে লগেই ৰজা চিত্ৰসেন তাৰপৰা গুলাই গৈছিল। উগ্ৰাক্ষই ল'ৰাটোক কোলাত লৈ সুধিলে, "তোমাৰ নাম কি, বোপা ?"

ল'ৰাটোৱে টপৰাই কৈ উঠিল, "মোৰ নাম যুৱৰাজ।"

লিগিৰীহঁতে হো হোৱাই হাঁহি উঠি ক'লে, "এয়া নো কেনে প্ৰশ্ন ? ল'ৰাটোক তাৰ দেউতাৰ নাম সোধা উচিত আছিল।"

"শুনা—" উগ্ৰাক্ষই শান্ত কণ্ঠেৰে লিগিৰীহঁতক ক'লে, "যোৱাবাৰৰ দৰে এইবাৰো যদি মোক ভাঁৰিবলৈ এই ল'ৰাটোক ভাটৌক শিকোৱাদি শিকাই-বুজাই থৈছা—তথাপি আচল কথা তাৰ-পৰা উলিয়াই ল'ব নোৱাৰিম বুলি নাভাবিবা। এইবাৰো যদি চালাকি কৰিছা—তোমালোকক ধৰি লৈ যাম মই

আৰু প্ৰতিজনীক একো একোটা ৰাক্ষসৰ সৈতে যোৰা লগাই দিম।"

উগ্ৰাক্ষৰ কথা শুনি লিগিৰীহঁতৰ মাজত কিছুমানে হাঁহি থাকিল ; কিন্তু কিছুমানে ভয়ো খালে। আৰু ইতিমধ্যে ল'ৰাটোক কান্ধত উঠাই লৈ উগ্ৰাক্ষ গ'লগৈ।

অৰণ্যৰ মাজেদি গৈ থাকোঁতে উগ্ৰাক্ষই এই ল'ৰাটোকো পৰীক্ষা কৰাৰ মনেৰে ল'ৰাটোক এডাল লাঠি দেখুৱাই ক'লে, "এই লাঠিডাল যদি তোমাক দিওঁ—তুমি এই লাঠিডালেৰে কি কৰিবা ?"

ল'ৰাটোৱে ক'লে, "মই লাঠিডাল মোৰ দে'তাক দিম।"

এই কথা শুনিয়েই উগ্ৰাক্ষ এখন্তেক ৰ'ল। সি ভাবিলে ঃ মোক বোধকৰোঁ পুনৰ ভ'াৰিলেই সিহঁতে। উগ্ৰাক্ষই ল'ৰাটোক পুনৰ সুধিলে, "তোমাৰ দে'তাইনো এই লাঠিডালেৰে কি কৰিব ?"

"দে'তাই লাঠিডালেৰে গৰু, ভেড়া, ছাগলী, ম'হ আদি চৰাব পাৰিব। এই-বোৰক চৰাবলৈ দে'তাক সদায় লাঠি এডাল লাগে।" ল'ৰাটোৱে ক'লে।

আৰু কোৱামাত্ৰেই ল'ৰাটোক কান্ধৰ-পৰা নমাই থৈ উগ্ৰাক্ষই উগ্ৰ খঙতে কৈ উঠিল, "আকৌ মোক ভ'াৰিলে সিহঁতে! ৰাজপুত্ৰৰ সলনি এইবাৰ মোক দিলে এটা গৰখীয়াপুত্ৰ!" নিজক নিজে এই কথা কৈয়েই ল'ৰাটোক দাঙি লৈ উগ্ৰাক্ষ পুনৰ ৰাজধানী কপিলপুৰলৈ বুলি ৰাওনা হ'ল।

ৰাজধানী পাই উগ্ৰাক্ষই প্ৰমাদ গণিলে। প্ৰাসাদৰ অনতিদূৰতে ৰাজআলিৰ ওপৰত বিৰাট সৈন্যবাহিনী। এই সৈন্যহঁতে যে তাক বাধা দিবলৈ ৰৈ আছে. সেই কথা বুজাত উগ্ৰাক্ষৰ বৰ পলম নহ'ল। কিন্তু তথাপি পিছ হুঁহকি নগৈ বুকু ফিন্দাই উগ্ৰাক্ষই সেনাবাহিনীৰ নেতা অমৰপালৰ সমুখত থিয় দিলেগৈ। উগ্ৰাক্ষই অমৰপালৰ কাষত এটি সুদৃশ্য বালককো থিয় হৈ থকা দেখা পালে। বালকটিক দেখি উগ্ৰাক্ষই মনতে ভাবিলে ঃ এই ল'ৰাটো নিশ্চয় ৰজা চিত্ৰসেনৰ পুত্ৰ হ'ব। ল'ৰাটো দেখাত বাস্তৱিকেই ৰজাৰ কোঁৱৰ।

অমৰপালে উগ্ৰাক্ষক ক'লে, "উগ্ৰাক্ষ, এই বালকটিয়েই হ'ল আচল ৰাজপুত্ৰ। দ্বিতীয় বাৰতো লিগিৰীহঁতে ভুল কৰিলে। কথাটো মহাৰাজ চিত্ৰসেনে যেতিয়াই বুজি পালে, তেতিয়াই এই বালকটিক তোমাৰ হাতত গটাই দিবলৈ আদেশ দিলে তেওঁ। যি কি নহওক—ভুল মানে ভুলেই, আন একো নহয়। বেয়া নাপাবা।"

"কিন্তু— " উগ্ৰাক্ষই কটাক্ষ কৰি ক'লে, "প্ৰতিবাৰেই লিগিৰীহঁতেই ভুল

কৰিছিল। এইবাৰ তুমি ভুল কৰি কাক গটাইছা জানিব পাৰোঁনে?"

"এই বালকটি আন কোনো নহয়, স্বয়ং ৰাজপুত্ৰ, ৰজা চিত্ৰসেনৰ প্ৰথম সন্তান।" অমৰপালে দৃঢ়তাৰে ক'লে।

বালকটিৰ মূৰৰপৰা ভৰিলৈকে নিৰীক্ষণ কৰাৰ অন্তত উগ্ৰাক্ষই ভাবি থাকিল: এই ল'ৰাটো সঁচাসঁচিকৈ ৰাজকোঁৱৰ হ'ব কিজানি। কিয়নো—ৰজাৰ কোঁৱৰ নহ'লে ইমান সুন্দৰ নহয়। —এইবোৰ কথা ভবাৰ পাছত উগ্ৰাক্ষই অমৰপালক ক'লে, "প্ৰথমে এওঁক দিয়াহেঁতেন মোৰ ইমান কষ্ট নহ'লহেঁতেন।"

"নিজৰ সন্তানক আনৰ হাতত সমৰ্পণ কৰাটো যে কিমান বেদনাদায়ক—তুমি বুজি নাপাবা। কিয়নো তুমি হ'লা ৰাক্ষস। এই ৰাজকোঁৱৰক লৈ অহাৰ ফলত ৰাণী মূৰ্ছিতা, ৰজাও শয্যাশায়ী হ'ল। এসময়ত তোমাক এনে এক আচৰিত প্ৰতিশ্ৰুতি দিয়াত এতিয়া তেওঁ অতিপাত অনুতপ্ত। যি কি নহওক—তোমাৰ প্ৰাপ্য তুমি পালা, মোৰ কৰ্তব্য শেষ হ'ল। পিছে—এটা বিশেষ অনুৰোধ, ৰাজকোঁৱৰৰ যাতে কোনো প্ৰকাৰৰ কষ্ট নহয়, তাৰ প্ৰতি সদা-সৰ্বক্ষণ লক্ষ্য ৰাখিবা।" অমৰপালে উগ্ৰাক্ষক ক'লে।

এই কথাৰ উত্তৰত উগ্ৰাক্ষই ক'লে, "নিশ্চয়, এতিয়াৰপৰা এই বালক ৰজা চিত্ৰসেনৰ সন্তান নহয়, মোৰ সন্তান। আজিৰপৰা এওঁৰ নাম হ'ব উগ্ৰদত্ত। সমগ্ৰ অৰণ্য-ৰাজ্যৰ ৰজা এওঁৱেই, এওঁৰ আদেশ পালন কৰিবলৈ আজিৰপৰা হাজাৰ-বিজাৰ ৰাক্ষস সদায় সাজু হৈ থাকিব।" এই বুলি কৈ সি গুচি গ'ল।

নিজৰ প্ৰাসাদ পাই উগ্ৰাক্ষই বালক উগ্ৰদত্তক কান্ধৰপৰা নমাই থ'লে আৰু উগ্ৰদত্তক ক'লে, "উগ্ৰদত্ত, এই প্ৰাসাদ আজিৰপৰা তোমাৰ। তুমি ইয়াত যি মন যায় কৰিব পাৰা, কোনেও তোমাক



একো নকয়, আমনি নিদিয়ে। তোমাৰ লগৰীয়া হিচাপে আন দুটি ল'ৰাক এঁতিয়াই মতাই আনিম, ইচ্ছামতে খেলি থাকিবা।”

উগ্ৰাক্ষই তাৰ চাৰিটা অনুচৰক হাত-বাউল দি মাতিলে আৰু ক'লে, “তোমা-লোকে চিত্ৰসেনৰ ৰাজ্যৰপৰা এই ৰাজ-কোঁৱৰৰ সমনীয়া দুটা ল'ৰাক ধৰি লৈ আহাঁগৈ। কামটো—কাউৰী এটায়ো গম নোপোৱাকৈ কৰিব লাগিব।”

এটা অনুচৰে কৈ উঠিল, “আমি তেন্তে—দিনৰ ভাগত বিচাৰি উলিয়াই ৰাতিৰ এন্ধাৰতে অপহৰণ কৰি আনিম।”

“তাকে কৰিবা। পিছে—ল'ৰা দুটাৰ মাজত কণা বা খোঁৰা কোনো খুঁত থকা যেন এটাও নহয়—তালৈ লক্ষ্য ৰাখিবা। আৰু—যিটো ঘৰৰপৰা, বা যি দুঘৰৰপৰা ল'ৰা দুটা লৈ আহিবা, তাত এইখিনি সোণৰ মুদ্ৰা থৈ আহিবা।” এই বুলি কৈ, উগ্ৰাক্ষই সোণৰ মুদ্ৰা থকা সৰু সৰু মোনা দুটা সিহঁতক দিলে।

*

কেইদিনমান পাছৰ কথা। উগ্ৰাক্ষই উগ্ৰদত্তক লৈ তাৰ প্ৰাসাদৰ সমুখত পাই-চাৰী কৰি থাকোঁতে সেই চাৰিটা অনুচৰে ল'ৰা দুটা লৈ তাত উপস্থিত হ'লহি।

অপহৰণ কৰি লৈ অহা ল'ৰা দুটাক দেখা পোৱামাত্ৰেই উগ্ৰদত্ত আনন্দত জঁাপ মাৰি উঠিল; কিন্তু ল'ৰা দুটাই ভয়তে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে।

উগ্ৰাক্ষই অনুচৰকেইটাক সুধিলে, “ইহঁতক অনাৰ কথা কোনেও গম পোৱা নাই তো? কোনেও দেখা নাই তো?”

“দেখা বা গম পোৱা—কাৰো পক্ষেই সম্ভৱ নহয়। ৰজা চিত্ৰসেনৰ ৰাজ্যৰ সৰ্বশেষ সীমান্তৰপৰা ইহঁত দুটাক লৈ আহিছোঁ। আপুনি কোৱামতেই আমি যথেষ্ট সাৱধানতা অৱলম্বন কৰিছিলোঁ, মহাৰাজ সোণৰ মুদ্ৰাখিনিও যথাযতভাৱে দি থৈ অহা হৈছে।” অনুচৰকেইটাই

CHITRA

উগ্ৰাক্ষক ভাঙি-পাতি ক'লে।

ইপিনে—মৰাগত ল'ৰা ছুটাক হুৰাওৰাৱে কান্দি থকা দেখি ৰাজকোঁৱৰ উগ্ৰদত্তয়ো কান্দিবলৈ ধৰিলে। উগ্ৰাক্ষই ইহঁতক শান্ত কৰিবলৈ বহু ধৰণৰ চেষ্টা কৰি থাকিল; কিন্তু একোপধ্যে একো নহ'ল; উগ্ৰাক্ষৰ বুজনিৰে সিহঁতৰ কান্দোন আৰু বাঢ়িহে গ'ল।

গতিকে—হিতে বিপৰীত হোৱা দেখি উগ্ৰাক্ষই তাৰ অনুচৰকেইটাক ক'লে, "শুনা, এটা কাম তোমালোকে এই তিনিওকো আমাৰ পশুশালালৈ লৈ যোৱা। তাত ইহঁতক নানান জন্তু-জানোৱাৰ দেখুৱাই — বিশেষকৈ বাঘ, হাতীৰ পোৱালি আৰু পোৱালি গঁড়-বিলাকক দেখুৱাই, নানান পটলে নানান কথা কৈ, হাঁহি-মাতি ইহঁতৰ মনৰ ছুখ পাতলাবলৈ চেষ্টা দিয়াগৈ যোৱা! আৰু এটা বিশেষ কথা—। মনত ৰাখিবা, ইহঁত ইয়াত যথেষ্ট পুৰণা নোহোৱালৈকে, ইহঁতৰ নিজৰ ঘৰৰ কথা সমূলি পাহৰি নোযোৱালৈকে, যথেষ্ট ডাঙৰ-দীঘল নোহোৱালৈকে কেতিয়াও চকুৰ আঁৰ নকৰিবা। এযা মোৰ নিৰ্দেশ আৰু আজিৰপৰা তোমালোকৰো কেৱল এয়েহে কাম। ইহঁত কেতিয়াও যেন অৰণ্যৰ বাহিৰ হ'ব নোৱাৰে আৰু বাহিৰা কোনোবাই যেন ইহঁতৰ অস্তিত্বৰ কথা জানিব নোৱাৰে।"

অলপ পাছত অনুচৰ চাৰিওটাই ল'ৰা তিনিওটিক লৈ—পশুশালালৈ গ'ল। তাত ল'ৰা তিনিটিয়ে পোৱালি বাঘ, পোৱালি হাতী আৰু অন্যান্য জন্তুৰ সৰু সৰু পোৱালিৰ সৈতে ধেমালি-ধুমুলা কৰি থাকিল। এইদৰে, লাহে লাহে সিহঁতৰ মনত পৰিৱৰ্তনে দেখা দিলে। উগ্ৰাক্ষৰ মুখত হাহি বিৰিঙিল আৰু উগ্ৰদত্তৰো ছুখ-শোক প্ৰশমিত হ'ল। [অহা সংখ্যাত



লোকপ্ৰিয় চোৰ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, যিকোনো জটিল সমস্যাৰ সমাধান কৰাৰ ক্ষমতা ৰজা এগৰাকীৰ থাকিব লাগে। যিজনে এইবোৰ কৰিব নোৱাৰে, ৰজা হিচাপে তেওঁ সুনাম নাপায়। এই বিষয়ে মই এটা কাহিনী কওঁ শুনা। এই কাহিনী শুনি শুনি গৈ থাকিলে আন একো নহ'লেও তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলেঃ

ললিতাদিত্য আছিল লক্ষণদেশৰ ৰজা। এবাৰ ৰজাই তেওঁৰ জন্মদিনত

'বেতাল-কথা'

প্ৰজাবৰ্গই আটাইতকৈ ভাল পোৱা তথা শ্ৰদ্ধা কৰা কাৰোবাক পুৰস্কৃত কৰিবলৈ মন মেলিলে। 'কিন্তু—প্ৰজাবৰ্গই কাক আটাইতকৈ ভাল পায়—সেই কথা খাটাংকৈ জনাটোও এক দুৰূহ সমস্যা। ৰজাই কথাটো তেওঁৰ মহামন্ত্ৰীক ক'লে। তাৰ পাছত—এই বিষয়ে অনুসন্ধান কৰিবলৈ তথা প্ৰজাবৰ্গই আটাইতকৈ ভাল পোৱা—অৰ্থাৎ 'সৰ্বজনপ্ৰিয়' মানুহজনক বিচাৰি উলিয়াবলৈ দেশৰ চুকে-কোণে তেওঁৰ বিশ্বস্ত বুদ্ধিমন্ত পাৰিষদসকলক প্ৰেৰণ কৰিলে।

প্ৰায় তিনিমাহ ধৰি অনুসন্ধান কৰাৰ অন্তত পাৰিষদসকলে ৰজাক ক'লেহি যে দেশৰ অধিকভাগ প্ৰজায়েই এটা চোৰক আটাইতকৈ অধিক ভাল পায়। এই 'লোকপ্ৰিয়' চোৰটোৰ নাম—গংগাৰাম।

শুনি অবাক হোৱা ৰজাই তেওঁৰ মহামন্ত্ৰী কমলেশ্বৰক ক'লে, "ইমান দিন ধৰি শুনি আহিছোঁ যে—গংগাৰাম এটা লেতেৰা চোৰ আৰু খুনী। তাক ধৰা পেলাবলৈ বহু ধৰণে চেষ্টাও কৰা হৈছে, তাক জীয়ন্তে ধৰি আনিব পাৰিলে এক লাখ মুদ্ৰা পুৰস্কাৰ দিয়া হ'ব বুলি ঘোষণা কৰা হৈছে। —মই ঠিক কৈছোঁনে?"

"আপুনি ঠিকেই কৈছে, মহাৰাজ!" মহামন্ত্ৰীয়ে ক'লে।

"তেনেহ'লে—এই কথাৰ অৰ্থ কি? তেনেহ'লে প্ৰজাহঁতেইহে চোৰ গংগাৰামক ৰক্ষা কৰিছেনে কি? যাক ধৰিবলৈ লক্ষমুদ্ৰা পুৰস্কাৰ ঘোষণা কৰা হৈছে, তাক ধৰাই নিদিয়াহঁতক মই ৰাজদ্ৰোহী হিচাপে গণ্য কৰোঁ।" ৰজাই ক'লে।

"মহাৰাজ! প্ৰজাসৰক ৰাজদ্ৰোহী হিচাপে চিহ্নিত কৰাৰ আগতে কি কাৰণে প্ৰজাসৰে চোৰ এটাক চকুৰ পুতলীৰ দৰে ৰক্ষা কৰিছে, সেই কথাৰ ভু ল'ব লাগিব। সেইবোৰ কাৰণ বিচাৰি উলিয়াব পাৰিলে, গংগাৰামকো বিচাৰি উলিয়াব পৰা যাব।

নচেৎ—প্ৰজাৰ ওপৰত খং কৰি ধৰি ধৰি শাস্তি বিহিলে কথা বিষম হ'ব পাৰে।"

তাৰ পাছত, মহামন্ত্ৰীৰ পৰামৰ্শমতে, ৰজা ললিতাদিত্য মহামন্ত্ৰী কমলেশ্বৰক লগত লৈ ছদ্মবেশ ধাৰণ কৰি ওলাল। তেওঁলোকে বিভিন্ন প্ৰশ্ন কৰি চোৰ গংগাৰামৰ জনপ্ৰিয়তাৰ হেতু জানিবলৈ চেষ্টা কৰিলে। প্ৰজাবৰ্গই পঞ্চমুখে গংগাচোৰৰ প্ৰশংসা কৰিলে; কিন্তু কোনেও তাৰ ভু-ভা দিব নোৱাৰিলে। গংগাৰাম ক'ত থাকে—সেই কথাটি ৰজা-মন্ত্ৰীয়ে একোপধ্যে বিচাৰি উলিয়াব নোৱাৰিলে।

কেইদিনমানৰ অন্তত ৰজা আৰু মন্ত্ৰী এখন ধৰমশালাত আশ্ৰয় ল'লেগৈ। এই ধৰশালাত লোকনাথ নামৰ আন এজন যুৱকো আছিল। ৰজা আৰু মহামন্ত্ৰীয়ে লোকনাথক ক'লে, "আমি বিদেশী মানুহ। এই দেশৰ ৰজাই গংগাৰাম নামৰ চোৰ এটা জীয়ন্তে ধৰা দিব পাৰিলে একলাখ মুদ্ৰা পুৰস্কাৰ দিব বুলি শুনি সেই চোৰটোক ধৰিবলৈ আমি দুয়ো ওলাইছোঁ। কিন্তু—কথা আচৰিত হলেও সঁচা—এই দেশৰ প্ৰজাবৰ্গৰ প্ৰায় আটাইয়েই একমত: গংগাৰাম চোৰ হ'লেও হেনো দেৱতুল্য মানুহ! আৰু—গংগাৰাম ক'ত থাকে, সেই কথাটো কোনেও নকয়!"

এই কথা শুনি লোকনাথে হো হোকৈ হাঁহি মাৰি ক'লে, "এই দেশৰ প্ৰজাবৰ্গৰ মনত যে গংগাৰামৰ ঠাই এটি আছে—বুজি পাইছেই আপোনালোকে। এই কথা বুজি পায়ো যেতিয়া আপোনালোকে চোৰৰ ওৰ বিচাৰি ঘূৰি ফুৰিছে—আপোনালোক সঁচাসঁচিকৈ বিদেশী মানুহ।"

লোকনাথৰ লাক-লভীয়া কথা শুনি ৰজা ললিতাদিত্যই ক্ৰুদ্ধ কণ্ঠেৰে কৈ উঠিল, "এটা জঘন্য চোৰক আশ্ৰয় দিয়াৰ অৰ্থ হ'ল—এই দেশৰ প্ৰজাৰ নৈতিকতাৰ অধঃপতন। এই দেশৰ ৰজা হ'ল উদাৰ আৰু ধাৰ্মিক। নহ'লে—চোৰ এটাক

আশ্ৰয় দিয়া দেশদ্ৰোহী প্ৰজাহঁতক তেওঁ দেশৰপৰা খেদিলেহেঁতেন।"

ছদ্মবেশী ৰজালৈ কেৰেচীয়াকৈ চাই, মিচিক কৰে হাঁহি এটি মাৰি, লোকনাথে ক'লে, "আপুনি এই দেশৰ ৰজাক চিনি পোৱাহেঁতেন এনেবোৰ মন্তব্য কেতিয়াও নকৰিলেহেঁতেন। দেশৰ ৰজাই গংগাৰামক চোৰ বুলি ঘোষণা কৰিলে কি হ'ব—দেশৰ ৰাইজে গংগাৰামক তেনেকৈ নাভাবে আৰু সেইদেখিহে ৰাইজে তাক ৰজাৰ ৰোষৰপৰা ৰক্ষা কৰে।"

এই কথাৰ উত্তৰত ৰজাই কিবা ক'বলৈ লওঁতেই মহামন্ত্ৰীয়ে ৰজাক চকুৰ ইচাৰাতে ৰখাই লোকনাথক ক'লে, "ৰাইজে যে গংগাৰামক আশ্ৰয় দিছে—কথাটো ঠিক। আমিও বহু দিন ধৰি ঘূৰি-ফুৰি এই কথাটো ভালকৈ উপলব্ধি কৰিছোঁ যে দেশৰ ৰাইজে ৰজাতকৈ গংগাৰামকহে অধিক ভাল পায়। কিন্তু—ৰাইজে যে কিয় তাক ইমান ভাল পায়, তাকেহে জানিব পৰা নাই। ৰজাই প্ৰজাৰপৰা কৰ-কাটল আদায় কৰে; কিন্তু গংগাৰামে ৰাইজৰ ঘৰৰপৰা চুৰি কৰে। কৰ আদায়তকৈ চুৰি ভাল কামনে? ৰাইজে তাকে ভাবিছেনে বাৰু?"

অলপ পৰলৈ নিমাতে থকাৰ অন্তত লোকনাথে মহামন্ত্ৰীক ক'লে, "আপুনি বাৰু প্ৰকৃত কাৰণ জানিবলৈ আগ্ৰহীনে? কওঁ শুনক। এই দেশৰ ৰজাই ধনী-দৰিদ্ৰ বাছ-বিচাৰ নকৰি, সকলোটিৰ ওপৰত একেধৰণে কৰ আৰোপ কৰি, বাধ্যতা-মূলকভাৱে আনকি দুখীৰো দুখীহঁতৰপৰাও জুলুম কৰি কৰ আদায় কৰে। এই দেশৰ ৰজাই কৰৰ সেই ধনেৰে প্ৰজাৰ মংগল নকৰি, নিজৰ প্ৰাসাদৰহে সৌষ্ঠৱ বৃদ্ধি কৰে, আৰু তেওঁৰ লগা-ভগাহঁতক পুৰস্কৃত কৰে। ৰজাই জহৰ আৰু জাৰৰ দিনত বেলেগ বেলেগ ঠাইত থাকিবলৈ প্ৰাসাদ নিৰ্মাণ কৰিছে, আৰামৰ সোঁতত উটি গৈছে

তেওঁ। সেইদেখি ৰাইজৰ দৃষ্টিত ৰজা হ'ল লুণ্ঠনকাৰী আৰু গংগাৰাম সিহঁতৰ বুকুৰ আপোন। কিয়নো—গংগাৰামে কদাপি কোনো দুখীয়াৰ ঘৰত চুৰি-তাৰি নকৰে. সি ধনিকৰ ধন-সোণহে চুৰি কৰে। আৰু—ধনিকৰ সেই ধনেৰে দুখীয়াক সদায় সহায়ো কৰে।"

ৰজাই তলমূৰ হৈ অলপ পৰলৈ ভাবি থাকিল। তাৰ পাছত তেওঁ লোকনাথক ক'লে, "আমি আপোনাৰপৰা গংগাৰামৰ সম্পৰ্কে বহুখিনি জানিব পাৰিলোঁ। আপোনাক ধন্যবাদ। তথাপি—লাখ টকা পোৱাৰ আশাত আমি গংগাৰামক ধৰি ৰজাৰ হাতত সঁপিম।" এই বুলি কৈয়েই, মহামন্ত্ৰীৰে সৈতে ৰজাই তংক্ষণাৎ ৰাজধানীলৈ বুলি আগ বাঢ়িল।

পাছদিনা মহামন্ত্ৰী কমলেশ্বৰে ৰজাক সুধিলে, "মহাৰাজ, ধৰমশালাত থকা সেই লোকনাথেই যে গংগাৰাম আপুনি সেই কথাটো বুজি পাইছিলনে? মই বুজি পায়ো আপোনাক তেতিয়াই কওঁনে নকওঁ সেই সিদ্ধান্ত ল'ব নোৱাৰি দুঃখিত।"

ৰজা ললিতাদিত্যই হাঁহি মাৰি ক'লে, "মহামন্ত্ৰী, লোকনাথেই যে সেই গংগাৰাম, ময়ো ভালকৈ বুজি পাইছিলোঁ। আৰু প্ৰাসাদ পায়েই মই মোৰ কৰণীয়-

কৰ্তব্যখিনিও আৰম্ভ কৰি দিছোঁ।"

এই ঘটনাৰ পাছৰপৰা ৰজাই তেওঁৰ চোৰাংচোৱা বাহিনীৰ সহায়ত দেশৰ প্ৰজা-বৰ্গৰ সঠিক অৱস্থাৰ বিবৰণ সংগ্ৰহ কৰি, প্ৰজাৰ মংগলকৰ বহুতো কামৰ আঁচনি লৈ, বাস্তৱত ৰূপায়িত কৰিলে আৰু তাৰ ফলত প্ৰজাসৱেও বহুকাল ধৰি ৰজা ললিতাদিত্যৰ সুখ্যাতি কৰিবলৈ ধৰিলে।

*

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা! চোৰ গংগাৰামক ধৰিবলৈহে ৰজা আৰু মহামন্ত্ৰী ছদ্মবেশত ওলাইছিল। কিন্তু গংগাৰামক

হাতৰ মুঠিত পায়ো তেওঁলোকে তাক নধৰা হ'ল কিয় ? চোৰটোক ধৰি, তাক কঠোৰ শাস্তি বিহি, পাছত প্ৰজাৰ মংগল সধাটো উচিত নাছিলনে ? তাকে নকৰি— এইদৰে ইমান দগধা চোৰটোক এৰি দিয়াটো উচিত কাম হ'লনে ? ৰজাই কিয় চোৰ গংগাৰামক এৰি দিছিল ? সঠিককৈ জানিও যদি মোৰ এই প্ৰশ্নৰ উত্তৰ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব — এই কথা ধ্ৰুৱ।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "গংগাৰামৰপৰা ৰজা ললিতাদিত্যই নিজৰ সম্পৰ্কে যিবোৰ কথা শুনিছিল, তাৰে ৰজাই নিজৰ দোষ-ক্ৰুটিখিনি ভালকৈ বুজি পাইছিল। তেওঁ বুজি পাইছিল যে দেশৰ ৰাইজে চোৰ হোৱা সত্বেও গংগাৰামক কিয় ভাল পায়। গংগাৰামক তেতিয়া ফাটেকত ভৰাই থোৱাহেঁতেন দেশৰ ৰাইজৰ মাজত বিদ্ৰোহৰ অগনি জ্বলি উঠিলহেঁতেন— এই কথাটো ৰজায়ো উপলব্ধি কৰিছিল। এতেকে—গংগাৰামক ধৰিলেও গংগাৰামকহে ৰাইজে অধিককৈ ভাল পাব। সেইদেখি, ৰজাই গংগাৰামক ধৰি শাস্তি দিয়াৰ সলনি নিজৰ দোষ-ক্ৰুটি গুচাই বহু কষ্টেৰে নিজক নিজেই পৰিৱৰ্তিত কৰি, প্ৰজাৰ আদৰৰ পাত্ৰ হোৱালৈ মন মেলিলে। কিছুকালৰ পাছত ৰাইজে গংগাৰামক বিস্মৃত হৈ ৰজা ললিতাদিত্যকে তেওঁলোকৰ মংগলাকাংক্ষী বুলি আন্তৰিকভাৱে মানি ল'লে। গতিকে—হাতৰ মুঠিত পায়ো চোৰ গংগাৰামক নধৰি ৰজাই বুদ্ধিমত্তাৰহে পৰিচয় দিছিল। কিয়নো—বন্দী গংগাৰাম চোৰ গংগাৰামতকৈয়ো অধিক শক্তিশালী হ'লহেঁতেন।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



নিমাতী কইনা

শ্ৰাৱন্তীদেশৰ ৰজা কল্যাণবৰ্মাৰ একমাত্ৰ জীয়েকৰ নাম আছিল শোভা। শোভাৰ ৰূপ-গুণ তথা বুদ্ধিৰ কথা শুনি বহু দেশৰ ৰজাই শোভাক তেওঁলোকৰ পুত্ৰ-বধূৰূপে আদৰি ল'বলৈ আগ্ৰহী হৈছিল।

এদিন ৰজা কল্যাণবৰ্মাদেৱে জীয়েকক সুধিলে, "আই শোভা, তুমি কেনেকুৱা ল'ৰাক বিয়া কৰাবা বুলি ভাবিছা— মোক কোৱা। মই তোমাৰ ইচ্ছাৰ বিৰুদ্ধে একো নকৰোঁ।"

দেউতাকৰ প্ৰশ্নৰ উত্তৰত শোভাই ক'লে, "দেউতা—মই কোনোবা সাহসী আৰু বুদ্ধিমানক বিবাহ কৰাবলৈ বিচাৰোঁ।"

"কিন্তু—সাহস আৰু বুদ্ধিমত্তাৰ পৰীক্ষা লোৱা হ'ব কেনেকৈ? তুমি এই বিষয়ে কিবা উপায়ৰ কথা ভাবি থৈছানে?"

"উপায় নথকা নহয়। মই নিমাতে থাকিম। যিজনে সাহস তথা বুদ্ধিৰে মোৰ নীৰৱতা ভংগ কৰিব পাৰিব, সেই-জনক মই বিবাহ কৰাম।" শোভাই ক'লে।

জীয়েকৰ কথাত ৰজাই ভালেই পালে। তাৰ পাছত ৰজাই এই মৰ্মে সমগ্ৰ দেশতে ৰাজকীয় ঘোষণা কৰিলে।

*

ৰাজকীয় ঘোষণা শুনি দেশৰ বিভিন্ন ঠাইৰপৰা বহু যুৱক আহিল; কিন্তু ৰাজকুঁৱৰী শোভাৰ নীৰৱতা ভংগ কৰিব নোৱাৰি হতাশ হৈ উভতি গ'ল।

তাৰ পাছত এদিন সুমন্তপুৰৰ ৰাজ-কোঁৱৰ আনন্দবৰ্ধন শ্ৰাৱন্তীদেশলৈ আহিল আৰু দহোৱাইজৰ মুখত শোভাৰ কথা শুনি শোভাক বিয়া কৰাবলৈ আগ্ৰহী হ'ল।

অনিল বৰঠাকুৰ

আনন্দবৰ্ধন ৰজা কল্যাণবৰ্মাদেৰৰ কাষ চাপিল আৰু ৰজায়ো আনন্দবৰ্ধনক জীয়েক শোভাৰ ওচৰলৈ লৈ গ'ল।

শোভাক দেখা পায়েই আনন্দবৰ্ধনে কৈ উঠিল, "এওঁ দেখোন মোৰেই পত্নী!"

এই কথা শুনি ৰজা কল্যাণবৰ্মা আৰু তাত থকা অন্যান্য লোকসকলো অত্যন্ত অবাক হৈ পৰিল।

তেওঁলোকৰ অবাক হোৱালৈ মন কৰি আনন্দবৰ্ধনে ক'লে, "আপোনালোকৰ ইমান অবাক হোৱালৈ লক্ষ্য কৰি মই সকলো কথা সবিস্তাৰে ক'বলৈ বাধ্য হৈছোঁ। মহাৰাজ, কিছুদিনৰ আগতে মই এটি মন্দিৰত ডকাইতহঁতৰ কবলৰপৰা শোভাক উদ্ধাৰ কৰিছিলোঁ। উদ্ধাৰ কৰাৰ অন্তত কৃতজ্ঞতা চিনস্বৰূপে শোভাই মোৰ যিকোনো ইচ্ছা পূৰণৰ প্ৰতিশ্ৰুতি দিছিল। তাৰ পাছত গন্ধৰ্বমতে আমাৰ বিবাহ সম্পাদিত হৈছিল। কথা ইমানেই।"

এই বিষম কথা শুনিও ৰজাই শোভাক শান্ত কণ্ঠেৰে প্ৰশ্ন কৰিলে. "আই শোভা, এই যুৱকৰ কথা তথা এই ঘটনা সঁচানে?"

শোভা তথাপি নিমাতে থাকিল; কিন্তু মনত আনন্দৰ্দ্ধনৰ উপস্থিত বুদ্ধি আৰু সাহসৰ শলাগ ল'লে।

আনন্দবৰ্ধনে ৰজাক ক'লে, "মহাৰাজ, আপোনাক নজনাই বিবাহ কৰোৱাত শোভাই লাজ পাইছে। মৌনং সম্মতি লক্ষণম্—আপুনি বা আপোনালোকে জানেই। এতেকে—মোৰ পত্নীক এতিয়া লৈ যাবলৈ অনুমতি দিয়ক।"

এইবাৰ শোভাই আৰু সহিব নোৱাৰি কৈ উঠিল, "এইবোৰ গোকাট মিছা কথা!"

শোভাৰ নীৰৱতা ভংগ কৰিব পৰাত আনন্দবৰ্ধন হো হো কৰে হাঁহি উঠিল। ৰজা কল্যাণবৰ্মাদেৱে জীয়েকলৈ মিঠাকৈ চালে আৰু তেতিয়াই আনন্দবৰ্ধনৰ সৈতে তাইৰ বিবাহৰ কথা ঘোষণা কৰিলে।

জিঞ্জী দুৰ্গ

তামিলনাডুৰ আৰ্কট জিলাত জিঞ্জী দুৰ্গ তিনিটা পাহাৰৰ ওপৰত অৱস্থিত। দক্ষিণ ভাৰতৰ অসংখ্য ঐতিহাসিক ঘটনাৱলীৰ সৈতে এই জিঞ্জী দুৰ্গৰ নাম ওতঃপ্ৰোত-ভাৱে জড়িত। চোল, হোয়, মৰাঠা, মোগলৰ আক্ৰমণত জিঞ্জী দুৰ্গ বাৰে বাৰে ক্ষত-বিক্ষত হৈছিল।

আনন্দকোন নামৰ গৰখীয়া ল'ৰা এটিয়ে পাহাৰৰ গুহাৰ ভিতৰত এক বিৰাট ধন-ভঁৰাল দেখা পাই, তাৰ লগৰীয়া-ইঁতক মাতি আনিলে, আৰু পাছত সেই ধন-ভঁৰালৰ ধন-ৰত্ন ভগাই লৈ গ'ল।

তাৰ পাছত, এদিন গৰখীয়া আনন্দকোনে নিজক সেই পাহাৰ তিনিওটাৰ ৰজা হিচাপে ঘোষণা কৰিলে, এটা পাহাৰৰ ওপৰত বিৰাট প্ৰাসাদ সাজিলে। এই এই পাহাৰটোৰ নাম আছিল ৰাজগিৰি।

এই ৰাজপ্ৰাসাদ এনেকৈ সজোৱা হ'ল যাতে বাহিৰৰ কোনোবাই একোপধ্যে ভিতৰ সোমাব নোৱাৰে। এই ৰাজ-প্ৰাসাদৰ ভিতৰলৈ সোমাবলৈ হ'লে এখন দলং পাৰ হ'ব লাগিছিল। এইখন দলং যেতিয়াই আৱশ্যক তেতিয়াই প্ৰাসাদৰ পৰা বিচ্ছিন্ন কৰিব পৰা হৈছিল।

ইমানকাললৈকে জিঞ্জী দুৰ্গৰ অধিকাৰী সকল আছিল মূলতঃ সামন্ত। তাৰ পাছত----যেতিয়া ৰজাসকলে এই দুৰ্গত থাকিবলৈ ল'লে, তেতিয়া এই দুৰ্গ অতি সম্পদশালী তথা সুন্দৰ হৈ উঠিল। পৰৱৰ্তীকালত বিজাপুৰৰ ছুলতানসকলে জিঞ্জী দুৰ্গ লুণ্ঠন কৰিছিল।

মৰাঠা বীৰ শিৱাজীয়েও এই দুৰ্গ অধিকাৰ কৰিছিল। শিৱাজীৰ মৃত্যুৰ অন্তত মোগলেও এই দুৰ্গ অধিকাৰ কৰিবলৈ বিভিন্ন সময়ত চেষ্টা কৰিছিল, কিন্তু মোগল সকল ব্যৰ্থ হৈছিল।

মোগল বাদশ্বাহৰ আদেশক্রমে আৰ্কটৰ নবাবে যেতিয়া জিঞ্জী দুৰ্গ আক্ৰমণ কৰিছিল, তেতিয়া এই দুৰ্গৰ অধিপতি আছিল বাইছ বছৰীয়া দেছিংৰজা। পৰাক্ৰমী মোগল শত্ৰুৰ বিৰুদ্ধে যুদ্ধলৈ ওলোৱাৰ আগতে দুৰ্গস্থ মন্দিৰৰ বিগ্ৰহলৈ দেছিং ৰজাই প্ৰণাম কৰাৰ লগে লগে বিগ্ৰহ হেনো বিপৰীতমুখী হৈছিল।

এই ঘটনাৰ ফলত দেছিংৰজাই উপলব্ধি কৰিছিল যে তেওঁ এই যুদ্ধত বিজয়ী হ'ব নোৱাৰিব। কিন্তু তথাপি তেওঁ ৰণত পৰালৈকে যুঁজিছিল। তেওঁৰ মৃত্যুৰ বাতৰি পাই তেওঁৰ পত্নীয়ে জুইত জঁাপ দি আত্মঘাতিনী হৈছিল।

এয়ে আছিল জিঞ্জীদুৰ্গৰ উল্লেখযোগ্য শেষ ঘটনা। তথাপি----পৰ্য্যটকসকলক জিঞ্জী দুৰ্গই অদ্যাপি বিপুলভাৱে আকৰ্ষণ কৰে। এই দুৰ্গৰ ভিতৰত বহুবিধৰ বিস্ময়কৰ দ্ৰষ্টব্য আছে। এই দুৰ্গৰ কল্যাণমহল হ'ল অন্যতম দ্ৰষ্টব্য।





এই দুৰ্গৰ এঠাইত এটা গাঁত আছে। দেখাত কুঁৱা এটিৰ দৰে। কোনো কোনোৱে এই কুঁৱাটোক 'মৰণ-কুঁৱা' বুলি অভিহিত কৰে। মৃত্যুদণ্ড প্ৰাপ্ত অপৰাধীহঁতক এই কুঁৱাৰ ভিতৰলৈ হেনো পেলাই দিয়া হৈছিল। এই দুৰ্গত থকা অশ্বশালাও অন্যতম দ্ৰষ্টব্য। ইমান সুন্দৰ অশ্বশালা তেতিয়াৰ দিনত, আনকি আজি, বিৰল।

ককাৰ বিয়া

গ্ৰামৰ নাম পঞ্চগ্ৰাম। পঞ্চগ্ৰামত ৰামানুজ নামৰ এজন ধনী মানুহ আছিল তেওঁ আছিল ডাঙৰ বেপাৰী। কিছুদিনৰ আগতে তেওঁৰ পৰিবাৰ ঢুকাল। পিছে—তেওঁৰ ল'ৰা-ছোৱালী-নাতি-নাতিনীয়েক ভালেমান আছিল।

এদিন ৰামানুজে ঘৰ-পতা ককা কৃষ্ণশৰ্মাক মতাই অনালে আৰু ক'লে, "শৰ্মাদেউ, মোৰ পৰিবাৰ ঢুকোৱা ভালেমান বছৰ হ'লেই। মই পুনৰ বিয়া কৰাম বুলি ভাবিছোঁ ঃ ভাবিছোঁ মানে—খাটাঙেই কৰিছোঁ। আপুনি মোৰ কৰণে পঁচিছ-ত্ৰিছ বছৰীয়া কোনোবা এজনীক ঠিক-ঠাক কৰি দিয়ক। মই যৌতুক-টৌতুক একো নলওঁ। বৰঞ্চ—কইনাৰ পিতৃক মইহে অলপ টকা-সিকা দিম।"

ৰামানুজ ডাঙৰীয়াৰ কথা শুনি কৃষ্ণ শৰ্মাই তৰধেই মানিলে। কিয়নো, ৰামানুজক বহুতেই শ্ৰদ্ধা কৰে, ৰামানুজ ধাৰ্মিক, খ্যাতিমান। ষাঠি বছৰত কিয় যে পুনৰ বিয়া সোমাবৰ মন গৈছে তেওঁৰ, সেই কথাটি ঘৰপতা ককা কৃষ্ণশৰ্মাৰ মূৰত নোসোমাল। কৃষ্ণশৰ্মাই ভাবিলে ঃ ইয়াকে বোলেনে বুঢ়াকালৰ বুৰবুৰণি?

শৰ্মাদেউয়ে ৰামানুজক ক'লে, "কৈছে যেতিয়া—মই আপুনি কোৱা মতেই কইনা বিচাৰিম। কিছুদিনৰ অন্তত সুখবৰ দিব পাৰিম বুলি আশা কৰোঁ।"

শৰ্মাদেউৰ সৈতে কথাবতৰা হোৱাৰ সময়ত ৰামানুজৰ বোৱাৰী ঘৰতে আছিল। আঁৰৰপৰা শহুৰেকৰ কথা শুনি বোৱাৰী জয়লক্ষ্মী হতবাক হৈ পৰিল।

কুমাৰ শৰ্মা

গিৰিয়েক বেণুধৰ কামৰপৰা ঘৰলৈ উভতি অহাৰ লগে লগেই জয়লক্ষ্মীয়ে সকলো কথা বেণুধৰক ক'লে। ধৈৰ্য্য ধৰি শুনাৰ অন্তত বেণুধৰে ক'লে, "মা টুকুৱাৰ মাত্ৰ চাৰিটা বছৰ পাৰ হ'ল। চাৰি বছৰৰ অগ্‌ত দেউতাৰ যে কিয় বিয়া কৰাবৰ মন গ'ল—মই একো ধৰিব পৰা নাই। পিছে—মন গৈছেই যেতিয়া, বিয়া তেওঁ কৰাবই। এই বিষয়ত দেউতাক একো কৈ-মেলি লাভ নহ'ব।'

দহদিন মানৰ অন্তত ঘৰপতা ককা শৰ্মাদেউ পুনৰ ৰামানুজৰ ওচৰলৈ আহিল। শৰ্মাদেউয়ে ৰামানুজক ক'লে, "আপুনি আপোনাৰ কাৰণে যেনেকুৱা কইনা বিচাৰি উলিয়াবলৈ কৈছিল—বহুদিন ধৰি তন্ন তন্নকৈ বিচাৰি—সৰ্বসিদ্ধি গাঁৱত তেনেকুৱা কইনাৰ সন্ধান পালোঁ। যৌতুকৰ টকা-পইচা একেবাৰে নথকাত ৰামপ্ৰসাদ নামৰ এজনৰ ছোৱালীজনীৰ বিয়া হোৱা নাই। ছোৱালীজনীৰ নাম ৰত্নাৱলী। তেওঁৰ তিনিজনী ছোৱালী। এইজনীয়েই ডাঙৰ।"

ৰামানুজে ক'লে, "আপুনি কইনাৰ দেউতাৰক মোৰ ইমান বয়সৰ কথাটো কৈছিলনে? মোৰ বয়সৰ কথা শুনাৰ পাছতো তেওঁ মোক ছোৱালী দিব বুলি কৈছেনে? সঁচা কথা কওক।"

"মই একো লুক-ঢাক নকৰাকৈয়েই আপোনাৰ কথা তেওঁক সবিস্তাৰে কৈছোঁ। তেওঁ আপোনাৰপৰা টকা-পইচা একো নিবিচাৰে। ৰত্নাৱলীৰ বয়স—বাইছ কি তেইছমান হ'ব, দেখাই-মেলাই ধুনীয়া একেবাৰে সাক্ষাৎ লখিমী যেন লাগে।" শৰ্মাদেউয়ে ৰামানুজক ক'লে।

"তেনেহ'লে—এটা শুভ দিন চাই—চাই আহিব লাগিবগৈ।" ৰামানুজ ডাঙৰীয়াই ৰসতে নাম থ'লে।

তাৰ পাছত শৰ্মাদেউয়ে পাঁজি-পুথি চাই দিন-খেণ ঠিক-ঠাক কৰিলে। আৰু লগে লগে কেনেবাকৈ কথাটো গাঁৱত

সদৰি হৈ পৰিল। ৰামানুজ বাট-পথত গুলালেই কোনোবা-কুনুবিয়ে কোৱা শুনিছিল ঃ 'হাৰে! লগন উকলি গ'ল ঔ! ককাৰ বিয়াত উৰুলী দেচোন। ইয়াকে কয় ধৰ্মৰ ঢোল, নাবাজি নাথাকে'। ইত্যাদি।

*

এটি সৰুসুৰা মোনা হাতেৰে কঢ়িয়াই লৈ, নিৰ্দিষ্ট দিনত ৰামানুজ শৰ্মাদেউৰ লগ লাগি সৰ্বসিদ্ধি গাঁৱলৈ গ'ল। ৰামপ্ৰসাদে তেওঁৰ ছোৱালজনীক সজাই-পৰাই দেখুৱালে। ৰত্নাবলীক দেখি ৰামানুজ ভেবা লাগিল। ৰত্নাৱলী ঠিক যেন ৰত্নহে!

ৰত্নাৱলীক চাই, বৰ ভাল পাই, ৰামানুজ ডাঙৰীয়াই ৰামপ্ৰসাদক ক'লে, "মোৰ তেওঁ চাৰি বছৰৰ আগতে স্বৰ্গী হ'ল। মন কৰিলে—কেতিয়াবাই মই বিয়া কৰাব পাৰিলোহেঁতেন। কিন্তু—তেনেকুৱা ইচ্ছা মোৰ আগতেও নাছিল, আৰু এতিয়াও একেবাৰেই নাই।" এই বুলি কৈ, ৰামানুজে টকাভৰ্তি মোনাটো ৰামপ্ৰসাদৰ হাতত গটাই দিলে।

মোনাটো টকাৰে ঠাহ খোৱা আছিল। ৰামপ্ৰসাদ, আৰু তাত উপস্থিত থকা আন সকলোটিয়েই, মোনাভৰ্তি ইমান টকা দেখি অবাক হ'ল।

সেই অবাক লোকসকলক ৰামানুজ ডাঙৰীয়াই ক'লে, "এই মোনাত বিছ হাজাৰ টকা আছে। মোৰ দেউতাই

মোৰ বিয়াত নগদ টকা লৈছিল। যিখিনি লৈছিল—সেই টকাখিনি এতিয়া সুতে-মূলে বিছ হাজাৰ হ'ল। মোৰ তেওঁৰ ইচ্ছানুসাৰে মই টকাখিনি সাঁচি থৈছিলোঁ। বিয়াত যৌতুক হিচাপে পোৱা টকাৰ প্রতি মোৰ অলপো আকর্ষণ নাছিল যে—সেই কথা এই শর্মাদেউয়ে বোধ কৰোঁ ভালৰূপে জানে।"

ঘৰপতা ককা কৃষ্ণশর্মাদেউয়ে ক'লে, "আপোনাৰ উদাৰতাৰ কথা মইনো আৰু কি ক'ম? দহোখন গাঁৱৰ ৰাইজে জানে যে আপুনি এগৰাকী দানী ব্যক্তি।"

"ৰামপ্রসাদ ডাঙৰীয়া—" ৰামানুজে ক'লে, "মোৰ যদিহে খুদমানো সৎবুদ্ধি আছে, তাৰ কৃতিত্ব মোৰ নহয়, মোৰ তেওঁৰহে। মোৰ পৰিবাৰে এই কথা ভালকৈ জানিছিল যে অর্থাভাৰত ভালে-মান ছোৱালীৰ বিয়া নহয়। এই কাৰণে পৰিবাৰে তেওঁৰ গহনাপাতি আটাইখিনি বেচি দিছিল, আৰু সেই গহনা-বেচা টকাৰ সুত হিচাপে প্রাপ্ত অর্থও এই বিছ হাজাৰৰ ভিতৰত আছে। এই বিছ হাজাৰ টকাৰে ৰত্নাৱলীৰ বিপাখন পাতিলে মোৰ পৰিবাৰৰ আত্মাই তৃপ্তি পাব।"

ৰামানুজ ডাঙৰীয়াৰ কথা শুনি ৰাম-প্রসাদ, তেওঁৰ পৰিবাৰ, ৰত্নাৱলী, আৰু অন্যান্য লোকসকলৰো মুখৰ মাত হৰিল।

ৰামানুজ ডাঙৰীয়াই পুনৰ ৰামপ্রসাদক ক'লে, "আপুনি ৰত্নাৱলীৰ বিয়াৰ যোগ্য পাত্র বিচাৰি উলিয়াই এইখিনি টকাৰে বন্দৱস্ত কৰিলে মই অত্যন্ত ভাল পাম। মই এতিয়া যাওঁৱেই আৰু—।" ৰামানুজ বহাৰপৰা উঠি থিয় হ'ল।

ইমানপৰে নীৰৱে-নিমাতে এচুকত বহি থকা ৰত্নাৱলীয়ে ৰামানুজ ডাঙৰীয়াক প্রণাম কৰিলে আৰু ৰামপ্রসাদে ৰামানুজ ডাঙৰীয়াৰ দুয়োখন হাতত ধৰি তেওঁৰ অন্তৰৰ কৃতজ্ঞতা জ্ঞাপন কৰিলে।

উত্তৰ-ৰামায়ণ

১০

শ্ৰীৰামচন্দ্ৰ ৰাজসভাত বহি থাকোঁতে হঠাৎ বাহিৰত কুকুৰৰ ভুকনি শুনা গ'ল। লক্ষ্মণে ভাবিলে যে— কুকুৰটোৱে কিবা অভিযোগ কৰিবলৈহে ইয়ালৈ আহিছে। সেয়েহে—কুকুৰটোক লৈ আহিলগৈ। কুকুৰটোৰ মূৰত আঘাতৰ চিন পৰিলক্ষিত হ'ল। তাৰ মূৰত যে কোনোবাই মাৰিলে—সেই কথাত সন্দেহ নাই। শ্ৰীৰামচন্দ্ৰই কুকুৰটোক ক'লে, "তুমি কি কাৰণে মোৰ ওচৰলৈ আহিছা? তোমাৰ বক্তব্য নিৰ্ভয়ে কোৱাঁ।"

"সৰ্বাৰ্থসিদ্ধি নামৰ এগৰাকী ভিক্ষুৱে মোৰ মূৰত মাৰিলে। মই তেওঁৰ একো অপ-কাৰ কৰা নাছিলোঁ।" কুকুৰটোৱে ক'লে।

শ্ৰীৰামচন্দ্ৰই তৎক্ষণাৎ সেই ভিক্ষুক-গৰাকীক মতাই অনাই কুকুৰটোক আঘাত কৰাৰ কাৰণ কি—সোধাত ভিক্ষুৱেঁ ক'লে: "হে ৰজা! মই দুৱাৰে দুৱাৰে ভিক্ষা কৰি ফুৰোঁ। কিন্তু কোনো ঘৰৰেপৰাই যেতিয়া ভিক্ষা নোপোৱা হ'লোঁ, তেতিয়া আন এঘৰত সোমাওঁতেই এই কুকুৰটোৱে মোক ভেটি ধাৰলে। ই মোক সেই ঘৰলৈ যাবলৈ নিদিয়া হ'ল। তেতিয়া মই অত্যন্ত ক্ৰুদ্ধ হৈ পৰিলোঁ আৰু তাৰ মূৰত মাৰিলোঁ।

অপৰাধীয়ে নিজৰ দোষ স্বীকাৰ কৰাত শ্ৰীৰামচন্দ্ৰই সভাসদসকলক সুধিলে, "এওঁক কেনেধৰণৰ শাস্তি দিয়া উচিত?"

'লব-কুশৰ জন্মকথা'

সভাত বহুসংখ্যক পণ্ডিত ব্যক্তি বহি আছিল ; কিন্তু কোনেও একো নোকোৱা হ'ল। শ্ৰীৰামচন্দ্ৰই কেনেকুৱা দণ্ডবিধান কৰে তালৈ চাই নিৰ্বাক হৈ থাকিল।

তেতিয়া কুকুৰটোৱে ৰামচন্দ্ৰক ক'লে, "হে ৰজা ৰামচন্দ্ৰ, এইগৰাকী ভিক্ষুক মই যেনে দণ্ড বিহিবলৈ ক'ম, তেনে দণ্ড বিহিলে মই ভাল পাম। এওঁ যাতে কুলপতি হ'ব পাৰে—আপুনি সেই ব্যৱস্থা লওক। এওঁক কালমচৰ অঞ্চলৰ কুলপতি পাতিলে মই বৰ ভাল পাম।"

শ্ৰীৰামচন্দ্ৰই তৎক্ষণাৎ সেই ভিক্ষুক কুলপতিৰ পদত নিযুক্ত কৰিলে।

এই পদত নিযুক্তিৰ পাছ মুহূৰ্ততে হস্তীৰ পিঠিত উঠি ভিক্ষু সৰ্বাৰ্থসিদ্ধি কালমচৰ অঞ্চললৈ গুচি গ'ল। ভিক্ষু গুচি যোৱাৰ অন্তত শ্ৰীৰামচন্দ্ৰই আৰু তেওঁৰ মন্ত্ৰীবৰ্গয়ো কুকুৰটোক সুধিলে, "এয়া কিবা দণ্ডবিধান হ'লনে ? তেওঁ দেখোন আনন্দিত মনেৰেই তালৈ গুচি গ'ল।"

"হে ৰজা ৰামচন্দ্ৰ! বিগত জনমত ময়ো কুলপতিৰ পদত নিযুক্ত আছিলোঁ। এই পদত থকাৰ ফলত জনসাধাৰণে মোক খুব খাতিৰ-বাতিৰ কৰিছিল, খোচামতি কৰিছিল। মই সমগ্ৰ জীৱনকাল ধৰি বহু ভাল ভাল খাদ্য খাইছিলোঁ, মোৰ দাস-দাসীৰো অভাৱ নাছিল। মোৰ যথেষ্ট সুনামো আছিল। ৰাইজে মোক বিনয়ী বুলি মান ধৰিছিল, আনকি মই ব্ৰাহ্মণৰ সন্মানো প্ৰাপ্ত হৈছিলোঁ। কিন্তু কুলপতি হিচাপে মৃত্যুৰ অন্তত মই কিয় যে কুকুৰ-জনম পালোঁ, ক'ব নোৱাৰোঁ। যি কি নহওক—কুলপতিহঁত দেখিছোঁ পৰ-জনমত কুকুৰ হৈ ওপজে। গতিকে— সৰ্বাৰ্থসিদ্ধিও পাছত কুকুৰ জনম লৈ মোৰ দৰে জীয়াতু ভুগিব।" এই বুলি কোৱাৰ অন্তত কুকুৰটো তাৰপৰা গুচি গ'ল।

কিছুদিনৰ অন্তত এটা ফেঁচা আৰু এটা শেন চৰাই বিচাৰ বিচাৰি ৰামচন্দ্ৰৰ

ৰাজসভালৈ আহিল। অৰণ্যত থকা ঘৰ এটা—ফেঁচাই কয় তাৰ, আৰু শেনেও কয় 'মোৰ'। ঘৰটো কাৰ তাৰ বিচাৰ লাগে।

চাই-চিঁতি বিচাৰ কৰাৰ মনেৰে ৰামচন্দ্ৰই তেওঁৰ মন্ত্ৰীবৰ্গৰ সৈতে পুষ্পক ৰথত উঠি অৰণ্যত থকা সেই ঘৰটো চাবলৈ গ'ল। ৰামচন্দ্ৰই শেনক সুধিলে, "তুমি এই ঘৰটো কাহানি সাজিছিলানো?"

"যেতিয়া মানুহ সদ্যে পৃথিৱীলৈ আহিছিল, ঠিক তেতিয়াৰ দিনত মই এই ঘৰটো সাজিছিলোঁ।" শেন চৰায়ে ক'লে।

তৎক্ষণাৎ ফেঁচাই কৈ উঠিল; "হে ৰজা শ্ৰীৰামচন্দ্ৰদেউ! পৃথিৱীৰ বুকুত গছ-গছনিয়ে পোখা মেলাৰ লগে লগে মই এইটি ঘৰ সাজি উলিয়াইছিলোঁ।"

শ্ৰীৰামচন্দ্ৰই তেওঁৰ মন্ত্ৰীবৰ্গৰ সৈতে আলোচনা কৰাৰ অন্তত ৰায় দিলে, "এই ঘৰৰ গৰাকী নিশ্চয় ফেঁচা। কিয়নো—পৃথিৱীত মানুহৰ আবিৰ্ভাৱৰ বহু আগতে গছ-গছনিৰ আবিৰ্ভাৱ হৈছিল। ফেঁচাৰ ঘৰ অন্যায়ভাৱে অধিকাৰ কৰাৰ অপৰাধত শেন চৰাইক শাস্তি প্ৰদান কৰা হ'ব।"

ঠিক তেতিয়াই দৈৱবাণী শুনা গ'ল:

"হে ৰাম! শেন চৰাইৰ জনমেই হ'ল অভিশপ্ত জনম। শেন হৈ জনমি শাস্তি পোৱাক পুনৰ শাস্তি প্ৰদান কৰি লাভ

কি? এই শেন চৰাইটো আগৰ জনমত আছিল ব্ৰহ্মদত্ত নামৰ এগৰাকী ৰজা। এবাৰ ৰজা ব্ৰহ্মদত্তৰ গৃহত গৌতম অতিথিৰূপে আছিলহি। ৰজাই গৌতমক যথাবিহিত সন্মানেৰে আদৰিছিল। কেইদিনমানৰ অন্তত এদিন গৌতমে তেওঁৰ খাদ্যত মঙহৰ টুকুৰা দেখা পাই ক্ৰুদ্ধ গৌতমে ৰজা ব্ৰহ্মদত্তক পিছৰ জনমত শেন হৈ ওপজাৰ অভিশাপ প্ৰদান কৰিলে। লগে লগে গৌতমে এই কথাও ক'লে যে ইক্ষাকু বংশৰ অন্যতম ৰজা শ্ৰীৰামচন্দ্ৰৰ স্পৰ্শতৰ শেন-জীৱনৰ পৰিসমাপ্তি ঘটিব।"

দৈৱবাণী শ্ৰৱণ কৰাৰ অন্তত ৰামচন্দ্ৰই

শেন চৰাইটিৰ গাত হস্তস্পৰ্শ কৰিলে আৰু তৎমুহূৰ্ত্তে শেন চৰায়ে এক দিব্যপুৰুষৰ ৰূপ ঘূৰাই পোৱা হ'ল। সেই দিব্য-পুৰুষগৰাকীয়ে শ্ৰীৰামচন্দ্ৰক সাষ্টাংগে প্ৰণাম কৰি তাৰপৰা গুচি গ'ল।

যমুনাৰ তীৰত বসবাসকাৰী শতাধিক মুনি-ঋষি লগ লাগি এবাৰ ৰামচন্দ্ৰৰ ওচৰলৈ গ'ল। মুনি-ঋষিগণে ৰামচন্দ্ৰক ক'লে যে তেওঁলোকৰ জীৱন এটা অসুৰৰ অত্যাচাৰৰ ফলত বিপদাপন্ন হৈ উঠিছে, এই অসুৰটোক শাস্তি দিব লাগে। এই অসুৰটোৰ নাম আছিল লৱণাসুৰ।

লৱণাসুৰ আছিল মধু ৰাক্ষসৰ পুত্ৰ। ৰুদ্ৰক তুষ্ট কৰিবলৈ মধু ৰাক্ষসে বহুকাল জোৰা তপস্যা কৰিছিল আৰু তপস্যাত তুষ্ট হৈ ৰুদ্ৰই মধুক এপাট ত্ৰিশূল দিছিল আৰু কৈছিল, "এই ত্ৰিশূল তোমাৰ ওচৰত থকালৈকে কোনেও তোমাৰ অনিষ্ট কৰিব নোৱাৰিব।" এই ত্ৰিশূলপাট বংশানুক্ৰমে যাতে সক্ৰিয় থাকে, তাৰ বাবে মধুৱে শিৱৰপৰা বৰ খুজি লৈছিল। মধুৰ তপস্যাত তুষ্ট হৈ শিৱই মধুক কৈছিল, "তোমাৰ পুত্ৰয়ো এই ত্ৰিশূল ব্যৱহাৰ কৰিব পাৰিব। পিছে—তাৰ পাছত ত্ৰিশূলৰ শক্তি নিঃশেষিত হ'ব।"

ৰাক্ষস মধুৱে ৰাৱণৰ অন্যতম ভনীয়েক কুম্ভনসীক বিবাহ কৰাইছিল। লৱণাসুৰ আছিল কুম্ভনসীৰ গৰ্ভজাত অসুৰ। সৰুৰেপৰাই লৱণ আছিল অতি অত্যাচাৰী। তাৰ অন্যায় অত্যাচাৰত অতিষ্ঠ তথা বিৰক্ত মধু বৰুণলোকলৈ গুচি গ'ল আৰু যোৱাৰ আগতে তাক ত্ৰিশূলপাট দি গ'ল। লৱণে এই অসীম শক্তিসম্পন্ন ত্ৰিশূলেৰে ঋষিগণৰ ওপৰত চৰম অত্যাচাৰ চলাই থাকিল।

ঋষিগণৰ অভিযোগ শুনাৰ অন্তত ৰামচন্দ্ৰই তেওঁলোকক ক'লে, "লৱণাসুৰক বধ কৰাৰ দায়িত্ব মই লৈছোঁ।" তাৰ পাছত ৰামচন্দ্ৰই তেওঁৰ ভায়েকসকলক

সুধিলে, "তোমালোকৰ মাজত কোনোৱে লৱণাসুৰক বধ কৰাৰ দায়িত্ব ল'বানে?"

ভৰত আগুৱাই আহিল। লগে লগে শত্ৰুঘ্নো আহিল। শত্ৰুঘ্নই ক'লে যে এই দায়িত্ব ভৰতে লোৱা উচিত নহ'ব। কিয়নো, নন্দীগ্ৰামত থাকোঁতে ভৰতে বহু বিপদ-বিঘিনি ভেটিবলগীয়া হৈছিল।

ৰামচন্দ্ৰয়ো শত্ৰুঘ্নৰ কথা সমৰ্থন কৰিলে আৰু শত্ৰুঘ্নক মধুপুৰৰ ৰজা হিচাপে অভিষিক্ত কৰিবলৈ আয়োজন কৰিলে।

ৰজা হিচাপে অভিষিক্ত কৰাৰ অন্তত ৰামচন্দ্ৰই শত্ৰুঘ্নৰ হাতত ধনু-কাঁড় প্ৰদান কৰি ক'লে, এই কাঁড়ে মধু-কৈটভহঁতক ধধিলে। এই শক্তিশালী কাঁড় মই আনকি ৰাৱণৰ ওপৰতো প্ৰয়োগ কৰা নাছিলোঁ। তুমি এই কাঁড়েৰে অত্যন্ত অত্যাচাৰী লৱণাসুৰক বধ কৰাঁ। কিন্তু এটা কথা সদা-সৰ্বক্ষণ মনত ৰাখিবা, লৱণাসুৰৰ ওচৰত থকা ত্ৰিশূলপাট শিৱৰ ত্ৰিশূলৰ সমান লৱণাসুৰৰ হাতত এই ত্ৰিশূল থকালৈকে কোনেও তাক বধিব নোৱাৰিব। গতিকে—তাৰ হাতৰপৰা সেই ত্ৰিশূল আঁতৰাইহে তাক বধ কৰিব লাগিব। লৱণাসুৰে সদা-সৰ্বক্ষণ সেই ত্ৰিশূলপাট লৈ নোলায়, ঘৰতে এৰি থৈ যায়। তেনেকুৱা ছেগ এটা চাই তাক বধিবা। লৱণ যেতিয়া ঘৰৰপৰা ওলাব, তাৰ ঘৰৰ পৰীয়াহঁতক তেতিয়াই হত্যা কৰিব লাগিব। বাৰিষাৰ আৰম্ভণিতে লৱণাসুৰ আৰু তাৰ সৈন্যহঁতক বধ কৰাৰ সুবিধা ওলাব।" শ্ৰীৰামচন্দ্ৰই শত্ৰুঘ্নক যুদ্ধৰ কৌশল শিকাই দিলে।

ৰামচন্দ্ৰৰ নিৰ্দেশ অনুসাৰে শত্ৰুঘ্নই তেওঁৰ সৈন্যসকলক আগতীয়াকৈ প্ৰেৰণ কৰিলে আৰু এমাহমানৰ অন্তত তেওঁ নিজেও ওলাল। শত্ৰুঘ্ন বাল্মীকিৰ আশ্ৰমত দুটা দিন যাপিলে। বাল্মীকিৰ এই আশ্ৰম এসময়ত ৰঘুবংশজাত আছিল, বাল্মীকিয়ে শত্ৰুঘ্নক সেই কাহিনী এইদৰে কৈছিল:

ৰঘুবংশত সুদাসৰ এটি পুত্ৰ আছিল বীৰসহ। শিশুকালতে বীৰসহুৱে অৰণ্যত চিকাৰলৈ ওলাইছিল। তাত সি দুটা ৰাক্ষসক দেখা পালে। এই দুটা ৰাক্ষসে বাঘৰ ৰূপ লৈ অৰণ্যত ঘুৰি ফুৰিছিল আৰু জন্তুবিলাকক ধৰি-মাৰি খাইছিল। চিকাৰলৈ ওলাই বীৰসহুৱে বনত এটা জন্তুও বিচাৰি নোপোৱা হ'ল আৰু অত্যন্ত বিৰক্ত তথা ক্ৰুদ্ধ হৈ উঠিল। এনেতে বাঘৰূপী ৰাক্ষস দুটাক দেখা পাই বীৰসহুৱে লগে লগে এটা বাঘ তথা ব্ৰাহ্মণক মাৰি পেলালে।

তেতিয়া বাঘৰূপী আনটো ৰাক্ষসে গৰ্জি উঠি বীৰসহক ক'লে, "হেৰ পাপী! বিনা দোষত তুমি মোৰ লগৰীয়াক হত্যা কৰিলা? তোমাক এতিয়া মই কি কৰোঁ চাই থাকা!" এই বুলি কৈয়েই সিটো ৰাক্ষস অদৃশ্য হৈ পৰিল।

কিছুকালৰ অন্তত সেই ৰজাই এই আশ্ৰমত এক বিৰাট অশ্বমেধ যজ্ঞ পাতিছিল। এই যজ্ঞত পৌৰোহিত্য কৰিছিল বশিষ্ঠমুনিয়ে। যজ্ঞ সমাপ্ত হোৱাৰ পাছত সেই ৰাক্ষসটোৱে বশিষ্ঠৰ ৰূপ ধৰি ৰজাক ক'লেহি, "হে ৰজা, যজ্ঞ সমাপ্ত হ'ল। এতিয়া প্ৰচুৰ মাংস সহকাৰে মোৰ ভোজনৰ ব্যৱস্থা কৰাঁ।"

ৰজাই আনন্দিত মনেৰে এই আয়োজনত লাগিল; কিন্তু ইতিমধ্যে সেই ৰাক্ষসটোৱে নৰমাংস ৰান্ধি, ৰজাক দেখুৱাই ক'লে, "হে ৰজা! এই মাংস খাবলৈ বৰ সোৱাদ।"

ৰজাই তেওঁৰ পত্নীক সেই মাংস বশিষ্ঠক পৰিবেশন কৰিবলৈ ক'লে আৰু ৰাণীয়ে স্বহস্তে নৰমাংস পৰিবেশন কৰিলে। নৰমাংস খাবলৈ দিয়া বুলি বুলি বুজি পাই বশিষ্ঠই ৰজাক অভিশাপ দিলে, "হে ৰজা! তুমি নৰমাংসভক্ষক হোৱাঁ!"

এই অভিশাপ শুনি ৰজাও ক্ৰুদ্ধ হ'ল। ৰজাই মন্ত্ৰঃপূত জল হাতত লৈ

বশিষ্ঠলৈ নিক্ষেপ কৰিবলৈ ধৰোঁতেই ৰাণী মদোয়ন্তিয়ে-স্বামীক বাধা দি ক'লে, "তেওঁ আমাৰ দেৱতা, এনে অনুচিত কর্ম কৰিব নাপায়।" তেতিয়া ৰজাই সেই মন্ত্রঃপূত নিজৰ ভৰিত ছটিয়াই দিলে আৰু তাৰ ফলত তেওঁৰ ভৰি বিষাক্ত হ'ল। এই ঘটনাৰ পাছৰপৰা এই ৰজাৰ নাম হ'ল কল্মাষপাদ।

তাৰ পাছত বশিষ্ঠই প্রকৃত ঘটনা বুজি পাই কল্মাষপাদৰ বিষাক্ত ভৰি বাৰ বৎসৰৰ ভিতৰত যাতে ভাল হয়, তাৰ বাবে বৰ দান কৰিলে।

ৰজাই দীর্ঘ বাৰ বছৰলৈ নৰমাংস খাবলগীয়া হৈছিল। তাৰ পাছত তেওঁ পুনৰ স্বাভাৱিক হৈছিল।

এই কাহিনী শুনাৰ অন্তত শত্রুঘ্নই তাত আন এটি বাতৰি পালেঃ সীতাদেৱীয়ে যমজ অর্থাৎ যুগল পুত্র লাভ কৰিছে। বাল্মীকিয়ে শ্রীৰামচন্দ্রৰ ডাঙৰ পুত্রটিৰ নাম দিলে কুশ, আৰু সৰু পুত্রটিৰ নাম দিলে লৱ।

শত্রুঘ্নই সীতাদেৱীক ক'লেগৈ, "বৌ, সকলো আমাৰ অদৃষ্ট!"

পাছদিনা, বাল্মীকিৰপৰা বিদায় গ্রহণ কৰি শত্রুঘ্নই পশ্চিম দিশলৈ ৰাওনা হ'ল। গৈ গৈ মহাঋষি চ্যৱনৰ দর্শন পাই, তেওঁৰপৰাও লৱণাসুৰৰ আৰু তাৰ ত্রিশূলৰ বৃত্তান্ত অৱগত হ'ল। এই ত্রিশূলেৰে



লৱণাসুৰে কিমান ভয়ংকৰ কামবোৰ কৰিছে চ্যৱনে সেই গাৰ নোম ডাল ডাল হোৱা থুলমুল বৃত্তান্ত শত্ৰুঘ্নক ক'লেঃ

অযোধ্যাৰ ৰজা যুৱনেশ্বৰৰ পুত্ৰ মান্ধাতা আছিল বিৰাট পৰাক্ৰমী। পৃথিৱীৰ সকলো ৰজাক পৰাজিত কৰাৰ অন্তত মান্ধাতাই স্বৰ্গ অধিকাৰ কৰিবলৈ আঁচনি ল'লে। ভীত হৈ, ইন্দ্ৰ প্ৰমুখ অন্যান্য দেৱতায়ো মান্ধাতাক ক'লে, "আগতে ভূলোক জয় কৰি আহাঁগৈ, তাৰ পাছত আমি স্বৰ্গৰ দায়িত্ব তোমাক দিম।"

এই কথাৰ উত্তৰত মান্ধাতাই ক'লে, "হে দেৱতাসকলক ভূলোক মই কেতিয়াবাই জয় কৰিলোঁ। তাত মোৰ বশ্যতা স্বীকাৰ নকৰা কোনো নাই।"

"মধুবনৰ লৱণাসুৰে বশ্যতা স্বীকাৰ কৰিছেনে?" ইন্দ্ৰই মান্ধাতাক সুধিলে।

এই প্ৰশ্ন শুনি মান্দাতা তলমূৰ হ'ল, আৰু তৎমুহূৰ্ততে সসৈন্যে মধুবনলৈ বুলি ৰাওনা কৰিলে।

মান্ধাতাই লৱণাসুৰৰ ওচৰলৈ দূত প্ৰেৰণ কৰিলে তেওঁৰ বশ্যতা স্বীকাৰ কৰিবলৈ। কিন্তু লৱণাসুৰে মান্ধাতাৰ দূতক ধৰি খাই পেলালে।

বহুদিনৰ অন্ততো যেতিয়া দূত উভতি নাহিল, তেতিয়া- লৱণাসুৰক আক্ৰমণ কৰিবলৈ মান্ধাতা স্বয়ং সসৈন্যে ৰাওনা হ'ল। লৱণাসুৰে মান্ধাতাৰ ওপৰত সেই অসীম শক্তিসম্পন্ন ত্ৰিশূল প্ৰয়োগ কৰাত সসৈন্যে মান্ধাতা ভস্মীভূত হৈ পৰিল।

*

এই ঘটনা বিবৰি মহাঋষি চ্যৱনে শত্ৰুঘ্নক ক'লে, "তুমি কালিলৈয়েই কাৰ্য্যোদ্ধাৰ কৰিবলৈ সাজু হোৱাঁ, তেতিয়াহে তুমি বিজয়ী হ'ব পাৰিবা।" এই কথা কোৱাৰ লগে লগে ৰাত্ৰিৰ অন্ধকাৰ ভেদি পূৰ্বদিশত সুন্দৰ উজ্জ্বল পোহৰৰ ৰেঙনি দেখা গ'ল।

য়োঙ্কাৰ বুদ্ধি

হুজাৰ হ'ল হাংগাৰীদেশৰ সৈন্যহঁতৰ ডাক-নাম। এবাৰ সৈন্যৰ কাম ল'লে কমেও বাৰ বছৰলৈকে ছেদভেদ নোহোৱাকৈ কাম কৰিব লাগিব, এয়ে নিয়ম।

হাংগাৰীদেশৰ অন্যতম ৰজা মাত্যাছে সৈন্যহঁতৰ মাজত এটা বিশেষ বিষয়লৈ লক্ষ্য কৰিলে। বিষয়টো হ'ল—সৈন্যহঁতে সদা-সৰ্বক্ষণ মদ খায়।' হুজাৰহঁতে দৰ্মহা পায় সপ্তাহেপ্ৰতি চাৰিটাকৈ স্বৰ্ণমুদ্ৰা। কিন্তু ইমান কম দৰ্মহা পায়ো কেনেকৈ যে সদায় মদ খাই টলংভটং কৰিব পাৰে—সেই কথা ভাবি ৰজা মাত্যাছ সঁচাসঁচিকৈ আচৰিত হ'ল। সেনাপতিকো কথাটো সুধিলে ; সদুত্তৰ পোৱা নগ'ল।

তাৰ পাছত ৰজা মাত্যাছে নিজেই হুজাৰৰ ভেশ লৈ, জেপত চাৰিটা সোণৰ মুদ্ৰা ভৰাই, মদৰ দোকানলৈ গ'ল।

চেৰাপখানাৰ এঠাইত চাৰিজন বয়সস্থ হুজাৰ বহি আছিল। ৰজা মাত্যাছে তাতে বহি দিলেগৈ। লগে লগে এটা হুজাৰে ৰজাৰ কাণত ধৰি ক'লে, "বোলোঁ হেই চোক্ৰা, তই কেতিয়াৰপৰা হুজাৰ সোমালি ঔ?"

"সাদিনমান হ'ল।" ৰজাই ক'লে।

তেতিয়া আন এটা হুজাৰে ৰজাৰ কান্ধত চাৰিটামান চাপৰ মাৰি ৰজাক ক'লে, এটা কাম কৰাচোন চাওঁ—? দুটি মুদ্ৰাৰে মাল কিনাচোন—আটাইকেইজনে ভগাই খাই গীত-বাদ্য আ'ন্ত কৰোঁ।"

"মোৰ ইমান পইচা নাই, মই বৰ দুখীয়া।" ৰজাই ক'লে।

"চোৱা, সেই ফচহু কথাৰে পিয়াহ

‘হাংগাৰীদেশৰ সাধু’

নুগুচে। কালি দৰমহা পালা, আৰু আজিয়েই পইচা নাই—এনে নাভূত কথা আমি নাশ্রুতিম। কমেও এটি সোণোৱালী মুদ্ৰা খৰচ কৰি পিয়াহ পলুৱাবই লাগিব।"

অৱশেষত ৰজাই বাধ্যত পৰিয়েই তাক খুৱালে। আৰু লগে লগে আন কেইটায়ো খুৱাবলৈ জোৰ-জুলুম কৰিবলৈ ধৰিলে আৰু ৰজায়ো নুখুৱাই নোৱাৰিলে।

ইমানখিনি খায়ো কিন্তু একদম নিচা নহ'ল য়োস্কা নামৰ হুজাৰটোৰ। সি চেৰাপখানাৰ মালিকক ক'লে, "মোক এটকাৰ মদ ধাৰলৈ দিয়া।" কিন্তু মালিক মান্তি নহ'ল। তেতিয়া য়োস্কাই চেৰাপ-খানাৰ মালিকক অশ্রাব্যভাৱে গালি পাৰি ক'লে, "ঠিক আছে, মোৰ তৰোৱালখন বন্ধকী হিচাপে লৈ মদ দিয়া।" তেতিয়া দিলে মদ মালিকে। তাৰ পাছত হুজাৰহঁত দোকানৰপৰা ওলাই গ'ল।

সিহঁতে অলপ আঁতৰত থকা হোটেলত খোৱা-বোৱা কৰি পুনৰ মদ খালে। ৰজা তেতিয়ালৈকো সিহঁতৰ লগত আছিল। সিহঁতে যি বস্তু খালে, ৰজাকো খুৱালে। হুজাৰহঁতৰ চাল-চলন আৰু সাহস দেখি ৰজাই অবাক মানিলে।

হুজাৰহঁতে চেৰাপখানাৰ কাষতে এঠাইত শুলে, আৰু কম্বল এখন পাৰি দি ৰজাকো শুবলৈ দিলে।

কিন্তু কম্বলৰ ওপৰত শুই ৰজাৰ টোপনি নাহিল। তেওঁ চকু মুদি এনেয়ে দীঘল দি পৰি ৰ'ল।

তাৰ পাছত—মাজনিশা হুজাৰহঁত চুৰি কৰিবলৈ ওলাল। সিহঁতে ৰজাকো চুৰি কৰিবলৈ বাধ্য কৰিলে। য়োস্কাই ৰজাক বহু ধৰণৰ বেয়া কাম কৰিবলৈ উদগালে। ৰাতি পুৱাওঁ পুৱাওঁ হ'ল। আৰু ঠিক তেতিয়াই ৰজা সিহঁতৰ চকুত বালি মাৰি কেনেবাকৈ পলাল।

আৰু ৰাতি পুৱাৰ লগে লগে ৰজাই হুজাৰহঁতক এঠাইত গোট খুৱাবলৈ সেনা-

পতিক কটকটীয়াকৈ আদেশ দিলে। নিয়ম অনুসাৰে, প্ৰতিটো হুজাৰ পেৰেডত যোগ দিলেনে নাই—স্বয়ং ৰজাই পৰিদৰ্শন কৰিব বুলি নিৰ্দেশ জাৰি কৰা হৈছিল। প্ৰতিটো হুজাৰেই নিজ নিজ তৰোৱাল হাতত লৈ পেৰেডত যোগ দিবলৈ সাজু হ'ল। কিন্তু—য়োস্কাৰ খাপত তৰোৱালখন নাছিল। সি কাৰোবাৰপৰা তৰোৱাল এখন খুজিও ল'ব নোৱৰা হ'ল। আৰু অৱশেষত—এখন ভোটা ডেগাৰ তৰোৱালৰ খাপত ভৰাই লৈ য়োস্কা পেৰেডত উপস্থিত হ'লগৈ।

আটাইবোৰ হুজাৰৰ মাজতো ৰজাই য়োস্কাক বিচাৰি উলিয়াব পাৰিলে। য়োস্কাই যে নিজৰ তৰোৱালখন মদৰ দোকানত বন্ধকত থৈ আহিছে, ৰজাই জানিছিল। গতিকে—য়োস্কাক হাতে-লোতৰে ধৰি আন আন সকলোটিৰ আগত কথাটো প্ৰকাশ কৰি তাক কঠোৰ শাস্তি দিব বুলি ৰজাই খাটাং কৰিলে। শাস্তিশলা দিয়াৰো নিয়ম-নীতি আছে। ৰজাই য়োস্কাক কোন অপৰাধত শাস্তি দিব—মনতে ভাবি ল'লে।

ঠিক সেইদিনাই এজন মানুহক মৃত্যুদণ্ড দিয়াৰ কথা আছিল। মৃত্যুদণ্ডপ্ৰাপ্ত অপৰাধী এজন কাৰাগাৰত বন্দী হিচাপে আছিল। ৰজাই তাক কাৰাগাৰৰপৰা লৈ আহিবলৈ নিৰ্দেশ দিলে।

মৃত্যুদণ্ডপ্ৰাপ্ত অপৰাধীক লৈ অহাৰ পাছত ৰজাই য়োস্কাক মতাই অনালে আৰু ক'লে, "তুমি তোমাৰ তৰোৱালেৰে এই অপৰাধীৰ মূৰটো কাটি পেলোৱা।"

ৰজাৰ আদেশ শুনি য়োস্কাই তাৰ আঁঠুযুৰি আৰু থিৰেৰে ৰাখিব নোৱাৰিলে। সি ধাৰৰ নল কঁপাদি কঁপি কঁপি ভাবি থাকিল: খাপৰ ভিতৰত আছে ভোটাৰো ভোটা ডেগাৰ। কেনেকৈনো কি কৰোঁ। তদুপৰি—খাপত যে মোৰ তৰোৱাল নাই, সেই কথাও ওলাই পৰিব। তেতিয়া দেখোন আওমৰণে মৰিম। তথাপি য়োস্কাই মিহি মাতেৰে ক'লে, "মহাৰাজ! লাগিলে মই আৰু বাৰ বছৰ হুজাৰ খাটিম, পিছে—হত্যা কৰিব নোৱাৰিম।"

ৰজাই গৰ্জি উঠি ক'লে, "ৰজাৰ আদেশ অমান্য কৰিলে যে মৃত্যুদণ্ড হয়—জানানে নাজানা?"

"জানো, মহাৰাজ!" য়োস্কাই ক'লে, "মহাৰাজ! আপোনাৰ আদেশ কাৰ্য্যকৰী কৰাৰ আগতে মোক ঈশ্বৰৰ ওচৰলৈ প্ৰাৰ্থনা কৰিবলৈ অনুমতি দিয়ক।" ৰজাই য়োস্কাৰ আবেদন মঞ্জুৰ কৰিলে।

য়োস্কাই আকাশলৈ চাই, আঁঠু কাঢ়ি বহি লৈ ঈশ্বৰক ক'লে, "হে ঈশ্বৰ! মোৰ তৰোৱালখনক এনেকৈ ভোটা কৰি দিয়া —যাতে এই তৰোৱালেৰে কাৰোবাৰ মূৰ কটা নাযায়। এনেকৈ ভোটা কৰা—যাতে আনকি এগছি কোমল তৃণৰিও কটা নাযায়!"

আৰু পাছ মুহূৰ্ত্ততে খাপৰপৰা সেই ভোটামূৰীয়া ডেগাৰখন উলিয়াই, লেঠু দেখুৱাৰ দৰে ৰজাক ডেগাৰখন দেখুৱাই য়োস্কাই ক'লে, "দেখিলেনে মহাৰাজ! ঈশ্বৰে মোৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিলে।"

য়োস্কাৰ উপস্থিত বুদ্ধিৰ পৰিচয় পাই ৰজা তাৰ প্ৰতি তুষ্ট হ'ল আৰু তাক একো শাস্তি নিদিলে।

উপকাৰ-প্ৰত্যুপকাৰ

৫

গাঁৱৰ গিয়ানী মাতব্বৰ দুটাই প্ৰচাৰ কৰিছিল যে এই বিদেশী অচিনাকি যুৱক হ'ল তান্ত্ৰিক। তাক যিহঁতে সৌকাৰে নোকোবাব—সিহঁতৰ অমংগল হ'বই।

আৰু জ্ঞানীদ্বয়ৰ কথা আখৰে আখৰে সঁচা হ'ল। ৰাইজৰ মাজত যিহঁতে সৌকাৰে যুৱকৰ পিঠি নফলা হ'ল, সিহঁতৰ ঘৰৰ গহনা-পাতি চুৰি হৈ গ'ল। যিটো ল'ৰাক অচিনাকি যুৱকে ভাল কৰি তুলিছিল, সেই ল'ৰাটোৰ মাকে তেওঁৰ গাৰ গহনাপাতিখিনি টোপোলা এটাত বান্ধি, লুকুৱাই থৈ, গা ধুবলৈ গৈছিল। গা ধুই অহাৰ পাছত টোপোলাটো আৰু বিচাৰি নাপালে। এই বিষম কথা গাঁৱৰ ঘৰে ঘৰে বিয়পি পৰিল।

কথাটো অচিনাকি যুৱকৰো কাণত নপৰাকৈ নাথাকিল। যুৱকে প্ৰতিটো ঘৰলৈ গৈ, তন্ন তন্নকৈ অনুসন্ধান কৰি, এঘৰৰ মজিয়াত এটা গাঁত খন্দা দেখা পাই ক'লে, "এই গাঁতটোৰ ভিতৰত চাওক চোন চুৰিৰ মাল ইয়াতে আছেনে কি?"

যুৱকৰ কথা মতে, মজিয়াত খন্দা সেই গাঁতত হাত ভৰাই গৃহস্থই তেওঁৰ গহনাখিনি সঁচাসঁচিকৈ পোৱা হ'ল।

তান্ত্ৰিক যুৱকে এই উপকাৰ কৰাত, গাঁৱৰ গিয়ানীদ্বয়ৰ নিৰ্দেশমতে যুৱকক একুৰি সৌকাৰ কোৱেৰে আদৰা উচিত আছিল; কিন্তু গৃহস্থই মনতে ভাবিলেঃ গিয়ানীহঁতে কয় যে যুৱকক সৌকাৰে নোকোবালে আমাৰ অনিষ্ট হ'ব। কিখিনি অনিষ্ট হয় চাৱঁইচোন!

ৰাতিৰ পৰতে গিয়ানী দুটাই এইজন

গৃহস্থৰ ধানৰ ভঁৰালত জুই লগাই দিলে। পাছদিনা ৰাতি নৌপুৱাওঁতেই গৃহস্থই হেপাই-ফোঁপাই গিয়ানী দুটাক ক'লেগৈ, "আমাৰ ধান-ভঁৰাল পুৰি ভস্ম হ'ল—"

"হ'—ৰ্বই। এয়া অতি সাধাৰণ কথা। তান্ত্রিক যুৱকে কিবা উপকাৰ কৰিলেই তাক সৌকাৰে কোবাবলৈ কৈছিলোঁ আমি, নুশুনিলা আমাৰ কথা।"

এই কথাটোও গাঁৱত জুইৰ দৰেই পৰিল। আৰু তাৰ পাছত গিয়ানী দুটাৰ ঘৰৰ চোতালত ৰাইজ গোট খালেগৈ। ৰাইজৰ বক্তব্য একেটাই: এতিয়াৰপৰা, দেউতাহঁত, আপোনালোকৰ নির্দেশ আখৰে আখৰে পালন কৰিম। বিদেশী যুৱক যে লেতেৰাৰো লেতেৰা তান্ত্রিক, আমি বুজি পোৱা নাছিলোঁ, এইবাৰলৈ আমাক খেমক।

গোটেইখন গাঁৱৰ ৰাইজৰ এই কথা শুনি. পাছত গিয়ানী দুটাক যুৱকে ক'লেগৈ, "হেৰি, আপোনালোকে যে ধানৰ ভঁৰালত জুই লগাইছিল—মই কিন্তু ভালকৈয়েই জানো কথাটো। পিছে— আপোনালোকে যদি গৃহস্থৰ ক্ষতিপূৰণ নকৰে — তেনেহ'লে আপোনালোকৰ বিৰাট ক্ষতি হ'ব কৈ থৈছোঁ।"

"শুনা, ক'ৰবাৰ কোনোবা এইখন গাঁৱত আহি ডাবি-হুঁকি মাৰিলেই আমি একেবাৰে বেঙেমূতা গৰুটো হৈ নপৰোঁ। তোমাৰ কথা আমি শুনিলোঁ। পিছে— আমাৰ কিডালনো ক্ষতি কৰিবাহে তুমি?" গিয়ানী এটাই গোঁগোঁৱালে।

"কালিলৈৰপৰা আপোনালোকৰ এক বস্তাকৈ ধান নোহোৱা হ'ব।" এই বুলি কৈ যুৱক গুচি গ'ল তাৰপৰা।

আৰু গুচি যোৱাৰ প্ৰায় লগে লগেই গিয়ানী দুটাৰ ভঁৰালত থকা ধানৰ বস্তাত জুই লাগিল। কথা—আচৰিতেই, তথাপি সঁচা যে—মাত্র "এটা বস্তাতহে জুই লাগিছিল ; ধানৰ বাদবাকীবোৰ বস্তাত জুই লগা নাছিল। এই ঘটনাই গিয়ানী

দুটাৰ মনত ভীতিৰ সঞ্চাৰ কৰিলে।

সিহঁত দুটাই যুৱকক বিচাৰি উলিয়াই ক'লেগৈ, "তোমাৰ কথা সঁচা হ'ল। তুমি আচলতে কি—আৰু কোন সঁচা-সঁচিকৈ কোৱাচোন ?"

"শুনক, মই যেৱেই নহওঁ—মই কাৰো অনিষ্ট নকৰোঁ। আপোনালোক হ'ল ক্ষমতালোভী। হওক। আপোনালোকৰ ক্ষমতা নোহোৰা কৰাৰ ইচ্ছাও মোৰ নাই। পিছে—মই কাৰোবাক কিবা ধৰণে সহায় কৰিলে যদি মোক বাধা দিয়ে, ময়ো আপোনালোকক শুদাই নেৰোঁ।" যুৱকে ক'লে।

"তেনেহ'লে — আমি এতিয়া কি কৰিম — তুমিয়েই কোৱা আমাক।"

"আপোনালোকে নিজৰ গৃহস্থৰ ধান-ভঁৰাত জুই লগাইছিল, তেওঁক কওকগৈ মোক সৌকাৰে কোবাবলৈ। আৰু—তাৰ পাছত তেওঁৰ ক্ষতিপূৰণ কৰক। তেওঁৰ ধানখিনি আন কোনেও গম নোপোৱাকৈ ওভোতাই দিয়ক আৰু তেওঁৰ ধান খেতি চহ কৰাৰ পাছত সেই সেই খেতিমাটিত বীজধান ছটিয়াই দিয়ক। এইবোৰ কাম গুপুতে কৰিব লাগিব। তাৰ ফলত আপোনালোকৰো নাম-যহ ঠিকঠাকে থাকিব, আৰু মোৰ সৈতেও আপোনালোকৰ কাজিয়া-কন্দল নহ'ব।"

তেতিয়া গিয়ানী দুটাই যুৱকৰ কথা মতে কাম কৰি থাকিল। যুৱকেও গৃহস্থৰ-পৰা সৌকাৰ কোব খালে আৰু তাৰ পাছত গৃহস্থৰ ধান-ভঁৰাল পুনৰ ধানেৰে ভৰি পৰিল। আৰু এইবোৰ চাই-চিঁতি গিয়ানী দুটাৰ প্ৰতি ৰাইজৰ ভকতি বাঢ়িল।

কিন্তু গাঁৱৰ ৰাইজৰ মনত এটা প্ৰশ্নই মূৰ দাঙি উঠিল : এই অচিনাকি যুৱক বাৰু—কোন ? ইমান সৌকাৰ কোব খায়ো যুৱকে মানুহৰ সেৱা কিয় কৰে ?

গিয়ানীদ্বয়ৰ পুত্ৰদ্বয় জয় আৰু বিজয়ে—এই অচিনাকি যুৱকৰ কথাত মুঠেই মূৰ



নঘমাইছিল। কিন্তু এদিন গিয়ানীদ্বয়ে জয়-বিজয়ক ক'লে, "বোপাহঁত, তোমালোকে সেই তান্ত্রিকটোৰ কাষ একেবাৰে নাচাপিবা। সি ভয়ংকৰ মানুহ!"

এদিন জয় আৰু বিজয় নৈৰ পাৰত থিয় হৈ থাকোঁতে এগৰাকী তিৰোতাই নৈৰপৰা পানী নিবলৈ আহিল। জয়-বিজয়ে তিৰোতাগৰাকীৰ কলহটো লুকাই থৈ তিৰোতা গৰাকীক ক'লে, "তুমি যদি সেই গছজোপাৰপৰা আমাক চাৰিটাকৈ আঠোটা আম আনি দিয়া, তেনেহ'লে কলহটো ওভোতাই দিম। নিদিয়া যদি— তোমাকো কলহ তো নিদিমেই, আনকি ইয়াৰপৰা যাবলৈকো নিদিম।"

তিৰোতাগৰাকীয়ে কি ক'ব-নক'ব একো ভাবি উলিয়াব নোৱাৰি বিভ্ৰান্ত হৈ থিয় হৈ থাকিল। ঠিক তেতিয়াই অচিনাকি সেই যুৱক সেই বাটেদি গৈ আছিল। যুৱকে জয়-বিজয়ক ক'লে, "হেৰা, তোমালোকে ইয়াতনো কি কৰিছাহে? তোমালোকৰ মতলব কি?"

তেতিয়া জয়-বিজয়ে সকলো কথা ক'লে যুৱকক। যুৱকে সিহঁতক ক'লে, "শুনা, জানাই, এতিয়া আমৰ সময় নহয়। জাৰকালি আম নধৰে। পিছে—নিঃস্বাৰ্থভাৱে খুজিলে যিকোনো বস্তু যেতিয়াই-তেতিয়াই পোৱা যায়। আনকি এই নৈৰ পাৰত মুকুতাও পোৱা যায়।"

"দিয়কেইচোন কে'টামান মুকুতা।" জয়-বিজয়ে যুৱকক ক'লে।

"আগতে তেওঁৰ কলহটো ওভোতাই দিয়া।" যুৱকে ক'লে।

"ওহোঁ, তেওঁক কলহো নিদিওঁ, যাবলৈকো নিদিওঁ।" জয়-বিজয়ে ক'লে।

যুৱকে তিৰোতাগৰাকীক ক'লে, "আপুনি আপোনাৰ কলহটো লৈ গুচি যাওক ইয়াৰপৰা।"

যুৱকৰ কথাত তিৰোতাগৰাকীয়ে কলহ লৈ গুচি যাবলৈ ধৰিলে। জয় আৰু

বিজয়ে বাধা দিব খুজিছিল ; কিন্তু সিহঁতে হাত-ভৰি আনকি লৰাবও নোৱৰা হ'ল, মাত-বোলও কৰিব নোৱৰা হ'ল। সেই তিৰোতাগৰাকী বহু দূৰলৈকে গুচি যোৱাৰ অন্ততহে সিহঁত পুনৰ স্বাভাৱিক হ'ল সিহঁত দুটাই যুৱকক সুধিলে, "আপুনি বাৰু—তান্ত্ৰিকনে কি ?"

"মই কেৱল মানুহৰ সেৱা কৰোঁ। কথা ইমানেই।" যুৱকে ক'লে।

"তেনেহ'লে আমাৰ আমোদত বাধা দিলে কিয় ? আমি তিৰোতাগৰাকীৰ লগত ধেমালিহে কৰি আছিলোঁ।" সিহঁত দুটাই ক'লে।

"এনেকুৱা ধেমালি আন কেতিয়াবা যদি কৰিছা, তোমালোকৰ হাত-ভৰি কিন্তু অচল হৈ পৰিব, মুখৰপৰা হাজাৰ চেষ্টাতো মাত নোলাব।" যুৱকে ক'লে।

*

এই ঘটনাৰ পাছৰপৰা জয়-বিজয়ৰ প্ৰতাপ কমিল, ৰাইজে স্বস্তিৰ উশাহ এৰিলে। এই যুৱকক গাঁৱৰপৰা খেদিবলৈ জয়-বিজয়ে সিহঁতৰ দেউতাকহঁতক কাবৌ কৰিলে; কিন্তু গাঁৱৰ গিয়ানী-দেউতাহঁতে সিহঁতৰ কথাত একো গুৰুত্ব নিদিয়া হ'ল।

*

তাৰ পাছত এদিন জয়-বিজয়ে অচিনাকি যুৱকক ৰছীৰে বান্ধি নৈত উটুৱাই দিব বুলি ভাবি ৰছী এডাল লগত লৈ গ'ল। কিন্তু সেই ৰছীয়ে সিহঁত দুটাকহে বান্ধি পেলালে।

তেতিয়া যুৱকে ক'লে, "মোক বান্ধিবলৈ অহাহঁতে নিজেই বান্ধ খায়।" এই বুলি কৈ, যুৱকে সিহঁতৰ বান্ধোন খুলি দিলে।

এই কথাৰ কোনো উত্তৰ নিদিয়াকৈ জয়-বিজয় তাৰপৰা দৌৰি পলাল।

কিন্তু তথাপি জয়-বিজয়ে এই অচিনাকি যুৱকক নগুৰশাস্তি দিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। [অহা সংখ্যাত



শুভদিনৰ সাধু

কোনোবা এডৰা অৰণ্যত সাতটা ডকাইত আছিল। এদিন ডকাইতি কৰাৰ পাছত অৰণ্যলৈ ঘুৰোঁতে ডকাইতহঁতে এগৰাকী পাঁজি-পণ্ডিতক লগ পালে। এই পাঁজি পণ্ডিতৰ নাম সনংগ। সনংগৰ মূৰৰ চুলি খুৰুৱা; কিন্তু এডাল দীঘল টিকনি আছিল। সনংগই গাত বিভূতি অৰ্থাৎ ভস্মো সানিছিল। পাঁজি-পণ্ডিত দেখিলেই বিশেষ ক্ষমতাসম্পন্ন যেন বোধ হৈছিল।

পাঁজি-পণ্ডিতৰ আও-ভাও দেখি ডকাইতহঁতে হাঁহিলে। পণ্ডিতে ভাবিলে: এতিয়া যদি ইহঁতকেইটাই মোৰ সৰ্বস্ব কাঢ়ি নিয়ে—কৰিবলগা একো নাই! —কিন্তু হঠাৎ পাঁজি-পণ্ডিতৰ মূৰত এটা বুদ্ধিয়ে বিজুলীয়াই গ'ল।

পণ্ডিতে ডকাইতকেইটাক গুপুত কথা বেকত কৰাৰ দৰে ক'লে, "শুনা বোপাহঁত, সকলো কথা-কাণ্ডৰে দিন-খেণ বোলা কথা এটা আছে নহয়। নহ'লে বিয়া-বাৰুত শুভমুহূৰ্ত চোৱাৰ আৱশ্যকেই নহ'ল-হেঁতেন। এতিয়াৰপৰা তোমালোকেও দিন-খেণ চাই কাম-বন কৰিবা, ব্যৰ্থ নহ'বা। মই যি মুহূৰ্তত ওলাবলৈ ক'ম—ওলাবা—সফল হ'বা।"

সিদিনাৰেপৰাই ডকাইতহঁতে পাঁজি-পণ্ডিতৰ কথা মতে ডকাইতি কৰিবলৈ ওলাইছিল, আৰু মংগলমতে কাম কৰি, উভতি আহি, পণ্ডিতকো ভাগৰ ভাগ ধন-সোণ দিছিল। আৰু — এইদৰে, দুখীয়াৰো দুখীয়া পাঁজি-পণ্ডিতৰ কপাল ঢোলৰ দৰে ফুলি গৈছিল।

কিন্তু মানুহৰ লোভৰ সীমা নাই।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

সেইদেখি পাঁজি-পণ্ডিতে এদিন ভাবিলে ঃ মই দিন-খেণ চাই দিওঁ, বেটাহঁতে বইনাই দি কোঁচায়। মোকনো বজ্জাতহঁতে কিমান কণ দিয়ে ? কেৱল প্ৰণামীৰে পেটভৰেনে ? এতিয়াৰপৰা ময়ো সিহঁতৰ লগত ওলাম। তেতিয়া প্ৰণামী তো দিবই, ডকাইতিৰো এভাগ দিব বেটাহঁতে।

কিন্তু পাঁজি-পণ্ডিতৰ কথা শুনি ডকাইতহঁত অবাকৰো অবাক! সিহঁতে নম্ৰভাৱেই ক'লে, "পাঁজিগোসাঁই, আপুনি এই কষ্ট সহ্য কৰিব নোৱাৰিব। আপোনাৰ ছোৱালীজনীক বিয়া দিলে, আৰু আপোনাৰ ল'ৰাটাও সংসাৰী হ'ল। কিয়নো আৰু ইমান কষ্ট কৰিব ?"

"সেইবোৰ কথা বাদ দিয়া, মোক ঢেৰ ধন লাগে। ময়ো তোমালোকৰ লগত ওলাম। অহা একাদশীৰ ৰাতি আমি উত্তৰ দিশলৈ যাম আৰু প্ৰথমেই যিজন ধনিকৰ ঘৰ পাম, তাতেই—সেইজনৰ ডকাইতি কৰিম ?"

নিৰ্দিষ্ট দিনত ডকাইতহঁত ওলাল পাঁজি-পণ্ডিতক লগত লৈ। বহুদূৰলৈকে যোৱাৰ অন্তত সিহঁত বিৰাট ধনী এগৰাকীৰ ঘৰৰ আগত ৰ'ল।

ডকাইতহঁতে ঘৰৰ পিছফালৰপৰা সিন্ধি খান্দি ঘৰৰ ভিতৰলৈ সোমাল।

একাদশী উপলক্ষ্যে ঘৰখনৰ সকলোটিয়েই লঘোনে আছিল। উপজি পুৱাতে লঘোন ভংগ কৰাৰ আয়োজনত সকলোটি ব্যস্ত হৈ পৰিছিল পাচলি কটা-কুটা, মচলা পিহা আদি কামত। তিমানতে ডকাইতহঁতেও নগদে-সোণে প্ৰায় বিছ-পঁচিছ হাজাৰমান টোপোলাত বান্ধি পেলাইছিল।

পাঁজি-পণ্ডিত তেতিয়া পাকঘৰত। ডকাইতহঁতে পাঁজি-পণ্ডিতক হাত-বাউল দি মাতিলে। পাঁজি-পণ্ডিতে পাকঘৰৰপৰাই ডকাইতহঁতক ক'লে, "আহাঁ—আহাঁচোন। ৰান্ধি আছো যেতিয়া—খাই-বৈহে যাম ইয়াৰপৰা। অলপ থিৰে-জুৰে বহাঁচোন,

তোমালোকেও খাই-বৈ যাবা।”

“হেৰি পণ্ডিত, আপোনাৰ বাৰু মাথা খাৰাপ হ'লনে কি? আমি ডকাইতি কৰিবলৈ আহিছোঁ, ভোজ খাবলৈ অহা নাই নহয়? আপুনি কিয় ৰন্ধা-বঢ়াত লাগি পৰিছে? তাৰ ফলত আপুনিও ধৰা পৰিব, আমাকো ধৰিব। ব'লক, শীঘ্ৰে ব'লক ইয়াৰপৰা।” ডকাইতহঁতে পাঁজি-পণ্ডিতক ক'লে।

“এঃ! তোমালোকে ক'লেই হ'বনে? ৰন্ধাত ধৰিছোঁ যেতিয়া—নাখাই যামনে কিবা? তোমালোকেও খাবা, তেহে যাবা।”

ৰন্ধাৰ অন্তত পাঁজি-পণ্ডিতে ডকাইত-কেইটাক ক'লে, “ইমান কষ্ট কৰি ৰান্ধিলোঁৰেই যেতিয়া — নাৰায়ণ-পূজা নকৰি নাখাওঁ।” এই বুলি কৈ, পাকঘৰৰ-পৰা অলপ আঁতৰত থকা নাৰায়ণ মন্দিৰলৈ পূজা কৰিবলৈ গ'ল আৰু তাত পূজাৰ ঘণ্টা বজাই দিলে।

আৰু লগে লগে ঘৰখনৰ ল'ৰা-বুঢ়া ডেকা-গাভৰু য'ত যিমান আছিল — ঘণ্টাধ্বনি শুনি মন্দিৰলৈ লৰি আহিল। গোটেই পৰিস্থিতিটোৱেই পৰিৱৰ্তিত হৈ গ'ল। গৃহস্থই এই অচিনাকি পূজাৰীক সুধিলে, “আপুনি—কোন?

প্ৰশ্নৰ উত্তৰত পাঁজি-পণ্ডিতে নিজৰ পৰিচয় প্ৰদান কৰিলে।

গৃহস্থই এওঁক সাক্ষাৎ ঈশ্বৰৰ দূতহেন ভাবি লৈ ক'লে, “আপুনি যেতিয়া আমাৰ ঘৰত দয়া কৰি পদধূলা দিলেই—এই হেজাৰ মুদ্ৰা প্ৰণামী অনুগ্ৰহ কৰি লওক।”

ঘৰৰ অন্যান্যই ডকাইতবিলাকক ধৰি কটকটীয়াকৈ বান্ধি পেলালে আৰু মাধ-মাৰেৰে বঢ়িয়াকৈ আদৰিলে।

এই ঘটনাৰ পাছৰপৰা ডকাইতহঁতে আৰু কেতিয়াও দিন-খেণ চাই শুভকামলৈ নোলাইছিল। সিহঁতে বুজি পাইছিল আটাইবোৰ দিন একেই।



দেখন আৰু লেখন

গভীৰ সমুদ্ৰৰ এবিধ প্ৰাণী দেখাত অতি ভয়ংকৰ; কিন্তু স্বভাৱত সিমান ভয়ংকৰ নহয়। ইহঁতৰ মুখৰ ভিতৰত সোমাই সামুদ্ৰিক পোক বিছুমানে এইবিধ জলচৰ প্ৰাণীৰ দাঁতত লাগি থকা সৰু সৰু পোকাবিলাক খায় আৰু নিৰাপদে মুখৰপৰা ওলাই আহে!

কাঠ-শালিকা

কাঠ শালিকাইঁতে সিহঁতৰ মুখৰ ভিতৰত সিহঁতৰ অতি দীঘল জিভা নেদেখাকৈ কোঁচাই ৰাখিব পাৰে। ইহঁতে সেই দীঘল জিভা মুহূৰ্ত্ততে উলিয়াই চকুৰ পচাৰতে পোক ধৰি ভোক গুচায়।

বিছা হ'ল কেঁকোৰা !

এতিয়াৰ দিনৰ কেঁকোৰাবোৰ প্ৰায় ৩৭০ মিলিয়ন বছৰৰ আগতে কিন্তু কেঁকোৰা নাছিল। ইহঁত তেতিয়াৰ দিনত আছিল বিষাক্ত বিছাহে! সেই বিছাৰ ৰূপান্তৰিত ৰূপ হ'ল এতিয়াৰ খাদ্য কেঁকোৰা!

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

চান্দমামা

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সম্বলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ ছেপ্‌টেম্বাৰ সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ জুলাই মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ মে' মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ক্ষন্তেকীয়া

দ্বিতীয় ফটো : যুগমীয়া

পুৰস্কাৰ প্ৰাপক : ভবেশ সোণোৱাল, তালাপ, ডিব্ৰুগড়।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চা ন্দ মা মা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI,
MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে!
रिन
सफ़ेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক — আৰু বেছি
আন যিকোনো ডিটাৰজেন্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা!
LINTAS RIN 99 2016 AS

খেল, খেলনা, কমিক্স ৰেডিং
ৰবিক লাগে আৰু ইন্টাৰেষ্টিং
নিজেই ভাবিব, নিজেই আঁকিব
দিনৰ দিনটো মজাৰে কাটিব!
এক' স্কেচ পেন হাতত ললে
ঘৰ সাজিলে, জাহাজ আঁকিলে
দেউতাকৰ বৰ বৰ দাড়ি, এজন চিকাৰী
এটি ভাটো, আৰু কতযে কি!
হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!
EKCO
এক'
স্কেচ পেন — ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!
প্ৰিচিশ্যান ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ ১৮, সুভাষ ৰোদ, ভিলে পার্লে (পুব), বোম্বাই-৪০০ ০৫৭.
ফোন : ৬০৪০৩০৫, ৬০৪৩৫৫৬.


Treat yourself to something special!
Big BON-BONs from nutrine
Tasty, creamy, fruity delights
In four delicious flavours
nutrine BON BON
GREAT NEW BON BONS
from nutrine,
naturally!
MILK CREAM
LEMON COCONUT
FRUITY • CHOCOMINT
nutrine
BON BON
nutrine India's largest selling sweets
Nutrine Confectionery Company Private Limited, Chittoor, A.P.
CLARION/NC/8571